
www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, NOVEMBER 05, 2024 ■ মঙ্গলবাৰ, ১৯ কাতি, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩০২ Guwahati, Assam ।। মূল্যঃ এটকা

## বেনাৰ লগাই থাকোতে অঘটন

**হায়দৰাবাদ, ৪ নৱেম্বৰঃ** গাঁৱৰ ৰাজহুৱা অনুষ্ঠানৰ ফ্লেক্স বেনাৰ লগাবলৈ গৈ কৰুণভাৱে মৃত্যুক ৩ পৃষ্ঠাত চাওক



### ‘আমায় ভুল বুঝিস নাই’

## মুখ্যমন্ত্ৰীক ৰাইজৰ সন্মুখত মুখতে কথা শুনোৱা মানুহজন



■ ধ্ৰুৱজ্যোতি ধনন্তৰি

**নোকোৰাকৈয়ে** কোৱা যায় বহু কথা! কথা নোকোৱাকৈয়ে কথা ক’ব জনা মানুহ সকলো যুগতে পোৱা শেষাংশ ২ পৃষ্ঠাত

## দুৰ্ঘটনাৰ ভয়ত বাইক নিদি স্কৰপিঅ’ দিছিল, কিন্তু!

**ই-সংবাদ, ৪ নৱেম্বৰঃ** দীপাৱলীৰ নিশা গুৱাহাটী মহানগৰীত সংঘটিত পথ দুৰ্ঘটনাত মেধাৱী ছাত্ৰী কনমিকা বসুমতাৰী আৰু দীপিত দে’ৰ মৃত্যুক লৈ আজিও ৰহস্যৰ অন্ত পৰা নাই। ইতিমধ্যে চুচুৰ্মৈ হৈ পৰা গাড়ীখন শেষাংশ ৫ পৃষ্ঠাত

## ‘হু ইজ জুবিন গাৰ্গ?’

**ই-সংবাদ, ৪ নৱেম্বৰঃ জুবিন গাৰ্গে দীঘলীপুখুৰীপাৰৰ প্ৰতিবাদস্থলীলৈ গৈ বৃক্ষ ৰক্ষা আন্দোলনকাৰীক সমৰ্থন কৰি গছ নাকাটিবলৈ সজোৰে দাবী উত্থাপন কৰিছিল** শেষাংশ ৫ পৃষ্ঠাত

### ধলাইত সংবাদমেলত জিতেন্দ্ৰ সিং, ভূপেন বৰাৰ মন্তব্য

## বৰাকৰ ৰাইজক ঠগাইছে হিমন্ত বিশ্বই!

**ই-সংবাদ, ৪ নৱেম্বৰঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা অসমৰ তত্বাৱধায়কৰ দায়িত্বত থকা জিতেন্দ্ৰ সিঙে আজি ধলাইৰ উপ-



নিৰ্বাচনৰ কংগ্ৰেছ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি পুৰকায়স্থৰ নিৰ্বাচনী প্ৰচাৰত অংশ লয়। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক শেষাংশ ৬ পৃষ্ঠাত

### অসম চৰকাৰৰ কাম-কাজক লৈ পুনৰ ক্ষুণ্ণ উচ্চতম ন্যায়ালয়

# ডিটেনশ্যন কেম্প উন্নত কৰিবলৈ নিৰ্দেশ

নতুন দিল্লী, ৪ নৱেম্বৰঃ **নাগৰিকত্বৰ ভিত্তিবৰ্ষক লৈ প্ৰদান কৰা ৰায়ৰ পিছত পুনৰ অসম সন্দৰ্ভত আন এক গুৰুত্বপূৰ্ণ নিৰ্দেশ দিলে দেশৰ উচ্চতম ন্যায়ালয়ে। অসমত থকা ছটা ডিটেনশ্যন কেম্পৰ পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ সন্দৰ্ভত চলি** শেষাংশ ৬ পৃষ্ঠাত

## ১৪ সমষ্টিত পিছুৱাই দিলে উপ-নিৰ্বাচন

**নতুন দিল্লী, ৪ নৱেম্বৰঃ** কেৰালা, পঞ্জাৱ আৰু উত্তৰপ্ৰদেশৰ কেইবাটাও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ তাৰিখক লৈ বিপাঙত পৰিছে নিৰ্বাচন আয়োগ। তিনি শেষাংশ ৪ পৃষ্ঠাত

### ভূপেনদা বিহীন ১৩ বছৰ

## কোকৰাঝাৰত আজি উন্মোচিত হ’ব সুধাকণ্ঠৰ প্ৰতিমূৰ্তি

**ই-সংবাদ, কোকৰাঝাৰ, ৪ নৱেম্বৰঃ** অসমৰ চিৰবৰেণ্য ব্যক্তি, প্ৰাণৰো প্ৰাণ, হিয়াৰ আমঠু ভাৰতৰত্ন ড° ভূপেন হাজৰিকাই সকলো জাতি-জনজাতি, জনগোষ্ঠী, ধৰ্মাৱলম্বী শেষাংশ ৭ পৃষ্ঠাত

## টকা খোৱা অধ্যক্ষই চাকৰিৰ পৰা খালে খেদা

**ই-সংবাদ, ৪ নৱেম্বৰঃ** মানৱ সম্পদ গঢ়াৰ খনিকৰৰ একাংশৰ এতিয়া দৰমহাৰ টকাৰে পেট নভৰে। শিক্ষা প্ৰদানৰ নামত লক্ষ লক্ষ টকা দৰমহা পোৱা মহাবিদ্যালয়ৰ অধ্যক্ষ-শিক্ষকক আন্তঃগাঁথনিৰ ধন হৰলুকি শেষাংশ ৪ পৃষ্ঠাত

## নাইনিতালত দুৰ্ঘটনা, ৩৬ নিহত

**ডেৰাডুন, ৪ নৱেম্বৰঃ** উত্তৰাখণ্ডৰ নাইনিতালত এখন যাত্ৰীবাহী বাছে নিয়ন্ত্ৰণ হেৰুৱাই দুশ মিটাৰ গভীৰ খাৰৈত বাগৰি পৰাত ৩৬ জনৰো অধিক যাত্ৰীৰ মৃত্যু শেষাংশ ৩ পৃষ্ঠাত

## বিহালীত লুৰীণে ক’লে ইলন মাস্কৰ কথা

**ই-সংবাদ, বিশ্বনাথ, ৪ নৱেম্বৰঃ** অসম সন্মিলিত মৰ্চা চমুকৈ ‘অসম’ৰ পৰা আতৰোৱাৰ পাছৰে পৰা কংগ্ৰেছক ব্যাপক সমালোচনা





কৰি আহিছে লুৰীণজ্যোতি গগৈ, অখিল গগৈ আৰু অজিত কুমাৰ ভূঞাই। বিহালী সমষ্টি বাঁও দল চিপিআইএমএলক এৰি নিদি কংগ্ৰেছে নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণাৰ পাছৰে পৰা কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰি গৈছে লুৰীণজ্যোতি গগৈ, অখিল শেষাংশ ৪ পৃষ্ঠাত

## চাকৰিত যোগ দিয়াৰ পৰিৱৰ্তে হ’ল শেষকৃত্য

### মৰাণ, চৰাইদেউত শোকৰ ছাঁ

**ই-সংবাদ, ৪ নৱেম্বৰঃ** ৩ নৱেম্বৰত মেঘালয়ৰ ৰি-ভৈ জিলাৰ নংপোত এক কৰুণ পথ দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা প্ৰেমিকযুগল নীলোৎপল দুৱৰী আৰু গাৰ্গী চুতীয়াৰ শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক ৰাইজৰ সন্মুখত মুখতে কথা

নাযায়। কেতিয়াবা গান আৰু ছবিও কথাৰ সাগৰ হৈ পৰে। কেতিয়াবা আকৌ শুকান কাঁহ বা গলখেকাৰিও কথা হৈ পৰে। কোনো কোনো মুহূৰ্তত মৌনতায়ো কৈ দিয়ে কাহানিও নোকোৱা অলেখ কথা। কিছুমান কথা সকলোৱে ক'ব নোৱাৰে। এনে বহু মানুহ আছে যিয়ে অহৰহ কেৱল কথাকেই কৈ থাকে। মুখলৈ যি আহে সেয়াই অনৰ্গল কৈ যায় তেনে মানুহে। কিন্তু সেই সময়ত যি কথা কোৱাৰ প্ৰয়োজন আছিল তেনে কথা ক'বলৈ ল'লেই মুখ বন্ধ হৈ পৰে। কাৰণ মঞ্চৰ সমুখত এনে মানুহ বহি থাকে যাৰ ওচৰত দহজনে ক'ব নোৱৰা কথা ক'বলৈ প্ৰয়োজন হয় কিছু সুকীয়া ব্যক্তিত্ব আৰু সাহসৰ।

কথাৰ আৰম্ভণিতেই ইমান কথা ক'লে ফোনৰ কেই ইঞ্চিমান পৰ্দাত আপোনাৰ আঙুলিকেইটাই কথাখিনি ঠেলি ওপৰলৈ ছিটিকাই নেদেখা কৰি দিবলৈ বেছিপৰ নালাগে। গতিকে আহিছো ক'ব খোজা কথালৈ। কথাটো ১৯৯৩ চনৰ কথা। এবাৰ স্থান কলকাতা। এবাৰ স্থান নাজিৰা। সদ্যহতে আমাৰ দৃষ্টি থাকিব নাজিৰাত। অসমৰে এজন মানুহে কথাখিনি মঞ্চত কৈ গৈছে। ইলু ইলুৰ কথা। মানে প্ৰেমৰ কথা। বিয়াৰ কথা। অসমৰ নহয়, পশ্চিমবংগৰ বীৰভূম জিলাৰ চাওতাল ডেকা-গাভৰু এহালৰ কথা। চাওতাল জনগোষ্ঠীৰ খেতিয়কৰ ছোৱালী এজনীৰ ল'ৰা এজনৰ লগত বন্ধুত্ব আছিল। ল'ৰাজনো খেতিয়ক ল'ৰা।

এই কথাখিনি অসমৰ মানুহজনে ৰাজহুৱাকৈ কৈছে তেতিয়াৰ দুজনকৈ শক্তিশালী মানুহৰ আগত। তেওঁৰ ভাষাৰেই ক'বলৈ হ'লে কথাষাৰ এনে হ'ব, 'সেই খেতিয়কৰ ল'ৰাটোৱে কয় কি, ইলু ইলু নে কিবা গান গায়। আই লাভ ইউ। সি পঢ়িব-চঢ়িব নাজানে। কিন্তু কিবা বাইস্কোপৰ গান গায়। তোমাকে আমি খুব ভালোবাসি! তোমাক খুব ভালপাওঁ। একেবাৰে ইলু ইলু। আই লাভ ইউ, টাভ ইউ এইবিলাক গায়। এদিন ছোৱালীজনীয়ে ক'লে। আমাই বিয়া কৰবি নাই? তেতিয়া সি কয়, বলছি তো আমাৰ সময় নাই। এনেই প্ৰেম কৰাত ঠিক আছে। কিন্তু বিয়াৰ সময়ত নাই। সময় নাই তাৰ। তেতিয়া তাই কান্দি দিয়ে। কান্দিলে সি গায়..."

তাৰপিছত গীতেৰে আগবাঢ়িবলৈ লয় কথাবোৰ। চাওতালী ভাষাৰ লোকগীত যেন সুৰৰ গীত মানুহজনৰ কণ্ঠত প্ৰাণ পাই উঠে। মানুহজনে নিজৰ সত্তা পাহৰি কিছুসময়ৰ বাবে সেই বীৰভূম জিলাৰ ছোৱালী এজনীৰ প্ৰেমত পৰা অথচ বিয়া পাতিবলৈ মন নকৰা ইলু ইলু গোৱা পঢ়িব-চঢ়িব নজনা অশিক্ষিত যুৱকজন হৈ পৰে। এনেকৈ তেওঁ গাবলৈ লয়, 'আমায় ভুল বুঝিস নাই/অ'মায়া ভুল বুঝিস নাই...'

গানৰ মাজে মাজে তেওঁ গান যেন লগা কথাবোৰো কৈ গৈ থাকে। মাজে মাজে চাওতালী ভাষাৰ কথাখিনি ভাঙনিও কৰি দিয়ে। 'তেতিয়া ল'ৰাটোৱে কয়, ৰচোন কিয় কান্দিছ? এই বহাগ মাহত, আমাৰ ইয়াত বহাগ মাহত কি কি হয়তো জানেই। কোন ল'ৰাই কাক ফাকি দিয়ে? তাতো হয় এইটো। সি কৈছে, বহাগ মাহত বিয়া কৰিম! হ'ব নোৱাৰে। কিয়?'

আকৌ আৰম্ভ গীত। 'বৈশাখ মাসে দারুন গরম/খরায় পুড়ে ছাই/বৈশাখ মাসে দারুন গরম/খরায় পুড়ে ছাই/জৈষ্ঠ মাসে জ্যেষ্ঠ ছেলের/বিহা করতে নাই/আমায় ভুল বুঝিস নাই/আমায় ভুল বুঝিস নাই/মাইয়া ভুল বুঝিস নাই...' অৰ্থাৎ বহাগ মাহত বৰ গৰম, পথাৰ জুই যেন হৈ পৰে। জেঠ মাহত আকৌ ঘৰৰ ডাঙৰ সন্তানে বিয়া পতাতো নিষিদ্ধ। গতিকে যুৱকজনে ছোৱালীজনীক বাৰে বাৰে ভুল নুবুজিবলৈ আহ্বান জনাইছে।

'বাৰু বুজিলো তই এটা ব্লাফ মাষ্টৰ জেনেৰেল। তই ব্লাফ দি থাক। লাভাৰ। লাভাৰ আকৌ, প্ৰেমিক! ইলু ইলু গাৱ? কিয় বাৰু? বহাগ মাহত বাৰু গৰম। তই বিয়া কৰিব নোৱাৰ। জেঠ মাহত বোলে আকৌ ডাঙৰ ল'ৰাটোৱে বিয়া কৰিব নাপায়। আষাঢ়-শাওণে কি দোষ কৰিলে? আষাঢ়ত বিয়া কৰিব নোৱাৰ মোক? কেন আষাঢ়-শ্ৰাবণে আমাকে বিয়া কৰতে পাৰো না? লাভাৰ, ননচেন্স, ইলু, ইলু...।'-এইবাৰ প্ৰেম প্ৰতাৰিত ছোৱালীজনীৰ হৈ এইদৰে মঞ্চত কৈ উঠে মানুহজনে।

ছোৱালীজনীৰ এই প্ৰশ্নৰ পিছত সি অৰ্থাৎ ল'ৰাজনে কৈ উঠে, 'আষাঢ় শ্ৰাবণ চাষের কাজে ব্যাস্ত আমি রই/হো হো হো আষাঢ় শ্ৰাবণ/চাষের কাজে ব্যাস্ত আমি রই/ভাদ্র মাসে শাস্ত্র মতে বিহা করতে নাই/ভাদ্র মাসে শাস্ত্র মতে বিহা করতে নাই/আশ্বিনেতে দুৰ্গা পূজা/আশ্বিনেতে দুৰ্গা পূজা কাৰ্তিকেতে নাই/অগ্ৰানেতে ধান কাঁটা তাই সময় কোথা পাই/আমায় ভুল বুঝিস নাই/মাইয়া ভুল বুঝিস নাই!' এইবাৰো সেই একেই অজুহাত। আহাৰ-শাওণ মাহত সি খেতিৰ কামত ব্যস্ত থাকিব। ভাদ মাহত আকৌ শাস্ত্ৰমতে বিয়া পাতিব নাপায়। আহিনত দুৰ্গা পূজা আৰু কাতি মাহত বিয়াৰ দিন নাই। সেয়ে সি ছোৱালীজনীক ছলনা গোপনে ৰাখি মৰমেৰে কৈ উঠে, 'মোক ভুল নুবুজিবি অ' মাইচানা, মোক ভুল নুবুজিবি!'

এনেকৈ অজুহাতেৰে বছৰটোৰ আঠটা মাহ পাৰেই হ'ল। থাকিল মাত্ৰ চাৰিটা মাহ। তাতেই আকৌ বিয়াৰ যোগ থকা মাঘ-ফাগুনৰ দৰে মাহ দুটা আছেই। ইমান ছলনাৰ পিছতো আশা এৰি দিয়া নাই গাঁৱলীয়া খেতিয়কৰ ছোৱালীজনীয়ে। এই কথাখিনি মানুহজনে বুজাইছে এনেকৈ, 'তেতিয়া ছোৱালীজনীয়ে কৈছে, বাৰু পুহ মাহত বা মাঘত তই কিয় বিয়া নকৰাৰ? তেতিয়া সি বেচেৰাই ব্লাফ দিছে মাঘত কিয় বিয়া কৰাব নোৱাৰিব, শীতত কিয় বিয়া কৰাব নোৱাৰিব? ফাগুনত কিয় নোৱাৰিব! পিছত চ'ত মাহৰ কথা যেতিয়া কয় তেতিয়া ধৰা পৰি যায় বেচেৰা। কিয় সি বিয়া কৰিব পাৰিব নে নোৱাৰে? কে'নে পৌষ-মাঘে আমাকে বিয়া কৰতে পাৰি নাই? পুহত বিয়া কৰিব নোৱাৰ মোক? তেতিয়া সি গায়...' 'হাড় কাঁপানি শিতের কামর পৌষ মাঘে রয়/ হো হো হাড় কাঁপানি/ শিতের কামর পৌষ মাঘে রয়/ মাঘের শীতে বাঘ পালায় বিহার কথা নয়/ মাঘের শীতে বাঘ পালায় বিহার কথা নয়/ ফাগুন মাসে দৌলযাত্রা, হু----র.../ ফাগুন মাসে দৌলযাত্রা/ বাজে ঢোলক বাজনা/চৈত্ৰ মাসে মালিককে যে দিতে হবে খাজনা/অ'মায়া ভুল বুঝিস না/মাইয়া ভুল বুঝিস না/মাইয়া ভুল বুঝিস না/আমায় ভুল বুঝিস না/আমায় ভুল বুঝিস না/ অ'মায়া ভুল বুঝিস না...'-মানুহজনে প্ৰাণঢালি গাই গৈছে। মানুহজনৰ কণ্ঠৰে যেন জীৱন্ত হৈ উঠিছে প্ৰেয়সীক নিজৰ কৰি ল'বলৈ অসহায় হৈ পৰা সেই যুৱকজন। আগৰকেইবাৰৰ দৰে এইবাৰো সি বাহানা বিচাৰিছে যদিও শেষত সি কৈ দিবলগীয়া হৈছে আচল কথাটো।

পুহ আৰু মাঘত হাড় কঁপোৱা শীত। ইমান ঠাণ্ডাত সি বিয়ানো পাতে কেনেকৈ? থাকিল এতিয়া মাত্ৰ দুটা মাহ, ফাগুন আৰু চ'ত। ফাগুন উৎসৱৰ বতৰ, দৌলযাত্ৰা। এনে এটি উৎসৱৰ মাহত সি বিয়া পাতিবলৈ সময়েই বা উলিয়াই কেনেকৈ? বাকী ৰ'ল এতিয়া চ'ত। এই চ'ততেই লুকাই আছে যুৱকজনৰ মৰ্মবেদনা! কাৰণ সি প্ৰেয়সীক নিজৰ কৰি লও বুলিয়েই ল'ব পৰাকৈ সমৰ্থবান নহয়। তাৰ বুকুত অফুৰন্ত মৰম লুকাই আছে যদিও সি প্ৰেয়সীক বিয়া পাতো বুলিয়েই পাতি কষ্ট দিবলৈকো ইচ্ছা কৰা নাই। বছৰৰ ১১টা মাহৰ বিভিন্ন কথা সি কৈছে যদিও চ'তত ব্লাফ দিবলৈ একো অজুহাত নাছিল। সেয়ে চ'তত যে মালিকক খাজনা দিবলগীয়া হয় সেই কথাটো সি শেষত কৈয়েই পেলালে। মালিকক খাজনা দিবলৈকে পইছা জমা কৰিবলৈ বাকীকেইটা মাহত কিমান পৰিশ্ৰম কৰিবলগীয়া হয় সেই কথাটো প্ৰেয়সীৰ আগত কোন সতেৰেই বা কয়!

এইখিনিৰ পিছতে আমাৰ আজিৰ এই বাস্তৱ কাহিনীৰ বিশেষ মানুহজনৰ আচল কথাটোও কোৱাৰ সময় আহি পৰিল। মঞ্চত উপবিষ্ট বিশেষ দুগৰাকী ব্যক্তি আৰু হাজাৰ হাজাৰ জনতাৰ সমুখত তেওঁ অ'মায়া ভুল বুঝিস না বুলি কৈ উঠিল চাওতাল যুৱকজনৰ নিৰ্মম সত্য, 'এইটো ট্ৰেজেডি। এইটো এটা দুখৰ কথা। সি বিয়া কৰিব নোৱাৰে। এই গানটো মই কিছুদিন আগতে বামফ্ৰণ্ট চৰকাৰে কলকাতাত মোক এটা ৰিচিপশ্যন দিছিল। তাত কৈছিলে মই হেনো ব্ৰহ্মপুত্ৰ, গংগা আৰু পদ্মাক একাকাৰ কৰিছো। সেই গতিকে উত্তৰ দিব লাগিল নহয়! মোক কিবাকিবি দিছে। শ্বল দিছে, ১৫ সেৰ ৰসগোল্লা দিছে। ৰসগোল্লাখিনি আকৌ মই অসমীয়া ৰাইজক খুৱাইছো। যি নহওক তাতে এটি উত্তৰ দিব লাগে নহয়... মই লেকচাৰ-টেকছাৰ দিয়া নাই। মই এই গানটো গাই দিলো...'

এই মানুহজন আন কোনো নহয়। কিয়নো ব্ৰহ্মপুত্ৰ, গংগা আৰু পদ্মাক একাকাৰ কৰা ভাৰতত এজনেই মানুহ আছে। সেইগৰাকীয়েই হৈছে ড০ ভূপেন হাজৰিকা। ১৯৯৩ চনত

**(৩নং পৃষ্ঠাত চাওক)**

দ্বিতীয় পৃষ্ঠাৰ পৰা...

## মুখ্যমন্ত্ৰীক ৰাইজৰ

নাজিৰাত বহাগৰ এটি নিশা উক্ত বিশেষ গীতটো গাই উঠি সুধাকণ্ঠই কৈ গৈছিল, 'গাই দি পেলাই, সমুখত বহি আছিলে, আজি যেনেকৈ হিতেশ্বৰ শইকীয়াদেৰ বহি আছে, কিবা ছেত্ৰী বহি আছে, ঠিক তেনেকৈ জ্যোতি বসু আৰু আমাৰ অসীম দাশগুপ্ত, ফাইনেন্স মিনিষ্টাৰ বহি আছিল। তেতিয়া যেতিয়া হাত-চাপৰি মাৰি কিবা এটা কওক বুলিলে, মই এই গানটো গাই দিলো। গাই দি পেলাই কৈছো, বীৰভূমৰ এই ল'ৰাটোৱে এই ছোৱালীজনীক কেতিয়াও বিয়া কৰাব নোৱাৰে, যদিহে ফাইনেন্স মিনিষ্টাৰ অসীম দাশগুপ্তাই 'এগ্ৰিকালচাৰেল লোন' এটা ইহঁতক নিদিয়ে।'

এয়াই আছিল কথাৰ কথা। সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাই গীতেৰে কথা ক'বলৈ ভয় কৰা নাছিল। এখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু বিত্তমন্ত্ৰীক তেওঁ গীতেৰেই এনেদৰে সমাজৰ হৈ কাম কৰিবলৈ আহ্বান জনাইছিল, দাবী জনাইছিল। অসমৰ তেতিয়াৰ শক্তিশালী মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু তেওঁৰ মন্ত্ৰীসভাৰ সমাজকল্যাণ বিভাগৰ মন্ত্ৰী কুলবাহাদুৰ ছেত্ৰীৰ সমুখতো এই গীতটো গোৱাৰ লগতে গীতৰ মাজে মাজে কৈ যোৱা কথাত পশ্চিমবংগৰ বিত্তমন্ত্ৰীক কিদৰে এহাল আদিবাসী ডেকা-গাভৰুৰ দুখৰ কথা কৈ শুনাইছিল সেয়াও বুজাই দিছিল।

চাওতে চাওতে লুইতৰ বুকুৰে বহু পানী বাগৰি গ'ল। সুধাকণ্ঠ আমাৰ মাজৰ পৰা হেৰাই যোৱাৰো এটা দশক পাৰ হ'ল। পিছে এনেদৰে কথা নোকোৱাকৈয়ে শাসকপক্ষৰ চকুত চকু থৈ কথা কোৱা শিল্পী আৰু পাবলৈ নাইকিয়া হ'ল। এতিয়া কেৱল কথাৰ নামত চৌদিশে বহুৱালি আৰু বাৰেবিংকৰা কথাৰহে পয়োভৰ! গানবোৰৰ কথা নতুনকৈ নকলোৱেইবা! তাৰমাজতো আমি আশাবাদী, এদিন সকলোৱে নিৰ্ভয়ে কথাবোৰ ক'বলৈ আগবাঢ়ি আহিব। অথবা মৌনতাৰ ভাষাৰে হ'লেও সকলোৱে কৈ পেলাব ক'বলগীয়া বহু কথা...

# পুত্ৰৰ স্মৃতিত শ্মশানক অত্যাধুনিক ৰূপ দিলে পিতৃয়ে

**ই-সংবাদ, মৰিগাঁও, ৪ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ মায়ঙৰ লোনমাটি গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰাজেন শইকীয়াই প্ৰয়াত পুত্ৰৰ স্মৃতিত পুনৰ নিৰ্মাণ কৰিছে এখন শ্মশান। পুত্ৰক অকালতে হেৰুৱাই দুখত ভাগি পৰা শইকীয়াই চেনেহৰ কনিষ্ঠ পুত্ৰ শশাংক শইকীয়াৰ স্মৃতি চিৰযুগমীয়া কৰি ৰাখিবলৈ গাঁঠিৰ ধনেৰে অত্যাধুনিক সকলো সা-সুবিধাযুক্ত কৰি পুনৰ নিৰ্মাণ কৰা মায়ঙৰ হাতীমূৰীয়া গাঁৱৰ ৰাইজৰ ৰাজহুৱা মুক্তিধামখন আজি পুৱাৰ ভাগত মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই ফিটা কাটি শুভ উদ্বোধন কৰে। এই অনুষ্ঠানত ঐতিহাসিক মায়ঙৰ পৰম্পৰাগত ৰজা তৰণীকান্ত সিংহ কোঁৱৰ, পবিতৰাৰ প্ৰাক্তন বনাঞ্চলিক বিষয়া মুকুল তামুলী, মায়ং আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জিত কলিতা প্ৰমুখ্যে বহুসংখ্যক গণ্য মান্য লোক উপস্থিত থাকে। উল্লেখ্য যে, প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে নিজকে প্ৰস্তুত কৰি থকা প্ৰতিভাৱান ছাত্ৰ শশাংক শইকীয়াৰ বিগত বৰ্ষত মাথো ২৩ বছৰ বয়সতে উচ্চ ৰক্তচাপজনিত কাৰণত মৃত্যু হৈছিল। আজি মুক্তিধামখন মুকলি কৰা সময়ত উপস্থিত থকা সকলোৱে মেধাৱী ছাত্ৰ শশাংকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে ভাগৱত পাঠ আৰু নাম-প্ৰসংগ কৰে।

### দুই আক্ৰমণকাৰী প্ৰশান্ত দাস, পংকজ দাসৰ পলায়ন

# শিৱসাগৰত দম্পতীক দাৰে ঘপিয়াই প্ৰাণ নাশৰ চেষ্টা

**ই-সংবাদ, শিৱসাগৰ, ৪ নৱেম্বৰঃ** শিৱসাগৰৰ জয়সাগৰ আৰক্ষী চকীৰ অন্তৰ্গত পুৰণি পুখুৰীত আজি বিয়লি এক চাঞ্চল্যকৰ আক্ৰমণৰ কাণ্ড সংঘটিত হয়। দুই ব্যক্তিয়ে এখন চোকা দাৰে এহাল দম্পতীক আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। পংকজ দাস ওৰফে মুন্না দাস আৰু প্ৰশান্ত দাস নামৰ লোক দুজনে দাৰে ঘপিয়াই দেৱ কুমাৰ দাস, দেৱ কুমাৰ দাসৰ পত্নী অনামিকা দাসক প্ৰাণ নাশৰ চেষ্টা কৰে। জানিব পৰা মতে পংকজ দাস আৰু প্ৰশান্ত দাসে প্ৰথমে অতৰ্কিতে দেৱ কুমাৰ দাসক দাৰে আক্ৰমণ কৰে। দেৱ কুমাৰ দাসক আক্ৰমণ কৰা প্ৰত্যক্ষ কৰি তেওঁৰ পত্নী ঘটনা স্থলীলৈ দৌৰি যায় অনামিকা দাস। তাৰ পিছত দুয়োকে পংকজ , প্ৰশান্তই আক্ৰমণ কৰি গুৰুতৰভাৱে আহত কৰে। পিছত আঘাত গুৰুতৰ হোৱাত স্থানীয় লোকে উদ্ধাৰ কৰি প্ৰথমে শিৱসাগৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও পিছত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। কি কাৰণত এনে জঘন্য কাণ্ড কৰিলে সেয়া জানিব পৰা হোৱা নাই। ঘটনাৰ পিছতে পলায়ন কৰে পংকজ দাস আৰু প্ৰশান্ত দাসে। উল্লেখ্য যে কিছুদিন আগেয়ে অবৈধ মৰাণাস্ত্ৰ মজুত ৰখাৰ অপৰাধত ৰঙা ঘৰৰ আলহী হৈছিল পংকজ দাস। ঘটনাটোক লৈ সমগ্ৰ অঞ্চলটোত চাঞ্চল্যই বিৰাজ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

## নাইনিতালত দুৰ্ঘটনা, ৩৬ নিহত

ঘটে। সোমবাৰে পুৱা এই দুৰ্ঘটনাৰ পিছতে স্থানীয় ৰাইজ আৰু আৰক্ষীয়ে মিলি যুদ্ধকালীন গতিত উদ্ধাৰ অভিযান চলায়। কিছু লোকক আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰি হাস্পতালত ভৰ্তি কৰোৱা হয়। জানিব পৰা মতে, দুৰ্ঘটনাৰ সময়ত বাছখনত চল্লিশ জনৰো অধিক যাত্ৰী আছিল। বাতৰি অনুসৰি, গড়ৱালৰ পৰা কুমাওন অভিমুখে গৈ থকা যাত্ৰীবাহী বাছখন নাইনিতাল জিলাৰ ৰামনগৰত পুৱা নিয়ন্ত্ৰণ হেৰুৱাই প্ৰথমে ডিভাইডাৰত খুন্দা মাৰে আৰু তাৰ পিছতে পথৰ পৰা বাগৰি দুশ মিটাৰ গভীৰ খাৱৈত পৰি যায়। বাছখন দুৰ্ঘটনাগ্ৰস্ত হোৱা প্ৰত্যক্ষ কৰিয়েই ততাতৈয়াকৈ সেই স্থানলৈ গৈ স্থানীয়সকলে উদ্ধাৰকাৰ্য আৰম্ভ কৰে। কিছু সময় পিছত আৰক্ষী আৰু উদ্ধাৰকাৰী দলো উপস্থিত হয়। কিন্তু এই ভয়ংকৰ দুৰ্ঘটনাই মৃত্যু মাটি আনে কমেও ৩৬ জন যাত্ৰীৰ জীৱনলৈ। নিহতৰ সংখ্যা বৃদ্ধি পোৱাৰো আশংকা কৰা হৈছে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুষ্কৰ সিং ধামীয়ে দুৰ্ঘটনাটোত শোক প্ৰকাশ কৰি নিহত সকলৰ পৰিয়ালক চাৰি লাখ টকাকৈ আৰ্থিক ক্ষতিপূৰণ প্ৰদানৰ ঘোষণা কৰিছে। আহতসকলৰ উন্নত চিকিৎসাৰ বাবে সকলো ব্যৱস্থা কৰাৰ বাবেও বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

## বেনাৰ লগাই থাকোতে অঘটন

সাবতিবলগীয়া হ'ল অন্ধ্ৰ প্ৰদেশৰ চাৰি শ্ৰমিকে। দেওবাৰে এই শোকাবহ ঘটনা সংঘটিত হয় ৰাজ্যখনৰ পূব গোদাবৰী জিলাৰ তাদিৰপাৰৰু গাঁৱত। জানিব পৰা মতে, গাঁওখনত অনুষ্ঠিত হোৱা এক ৰাজহুৱা অনুষ্ঠানৰ ফ্লেক্স বেনাৰ লগোৱাৰ সময়ত ভুলবশতঃ উচ্চ বিদ্যুৎ পৰিবাহী তাঁৰৰ সংস্পৰ্শলৈ আহে পাঁচজন শ্ৰমিক। যাৰ ফলত চাৰিজনৰ থিতাতে মৃত্যু ঘটে। নিহত সকলক বীৰৰাজু, নগেন্দ্ৰ, মণিকান্ত আৰু কৃষ্ণ বুলি চিনাক্ত কৰা হৈছে। ইফালে গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত পঞ্চমজন শ্ৰমিকক বৰ্তমান হাস্পতালত চিকিৎসাধীন হৈ আছে যদিও তেওঁৰো অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডুৱে এই ঘটনাক লৈ শোক প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে মৃত শ্ৰমিকৰ পৰিয়ালক ৫ লাখ টকাৰ ক্ষতিপূৰণ দিয়াৰ কথা ঘোষণা কৰিছে। ঘটনাটোক লৈ তদন্তৰো নিৰ্দেশ দিছে চৰকাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ১৪ সমষ্টিত পিছুৱাই দিলে উপ-নিৰ্বাচন

ৰাজ্যৰ ১৪টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে পূৰ্বে ঘোষণা কৰা দিনটোত কেইবাটাও উৎসৱ থকাৰ বাবে এতিয়া ভোটগ্ৰহণৰ দিন পিছুৱাই দিয়াৰ সিদ্ধান্ত লৈছে। সেই অনুসৰি ১৩ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া সমষ্টি কেইটাৰ ভোটগ্ৰহণ এতিয়া অনুষ্ঠিত হ'ব ২০ নৱেম্বৰত। অৱশ্যে ফলাফল পূৰ্ব নিৰ্ধাৰিত দিনটোতে অৰ্থাৎ ২৩ নৱেম্বৰত ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে নিৰ্বাচন আয়োগে। উল্লেখ্য যে, পঞ্জাৱ, কেৰালা আৰু উত্তৰ প্ৰদেশৰ ১৪টা সমষ্টিত কল্পনা ৰাষ্টোলসৱম (১৩-১৫ নৱেম্বৰ), কাৰ্তিক পূৰ্ণিমা (১৫ নৱেম্বৰ), গুৰু নানক প্ৰকাশ পৰ্ব (১৫ নৱেম্বৰ) আদি উৎসৱ পালিত হোৱাৰ পৰিপ্ৰেক্ষিতত ১৩ নৱেম্বৰৰ ভোটগ্ৰহণৰ দিনটো পিছুৱাই দিবলৈ নিৰ্বাচন আয়োগক আহ্বান জনাইছিল ৰাজ্য কেইখনৰ কেইবাটাও ৰাজনৈতিক দলে। তেওঁলোকে যুক্তি দি কয় যে যদি উৎসৱৰ সময়ত ভোটগ্ৰহণ অনুষ্ঠিত হয়, তেন্তে ভোটদানৰ হাৰ হ্ৰাস পোৱাৰ আশংকা আছে। ইয়াৰ পিছতে নিৰ্বাচন আয়োগে সমষ্টি কেইটাৰ ভোটগ্ৰহণ ২০ নৱেম্বৰলৈকে পিছুৱাই দিয়ে। আয়োগৰ সূত্ৰ অনুসৰি, ভোটাৰে যাতে মুকলি মনেৰে আহি ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে, তাৰ বাবেই তাৰিখ পিছুৱাই দিয়া হৈছে। আয়োগৰ এই ঘোষণাৰ পিছতে অহা ২০ নৱেম্বৰত উত্তৰ প্ৰদেশৰ ৯টা বিধানসভা সমষ্টি, পঞ্জাৱৰ ৪টা আৰু কেৰালাৰ এটা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উত্তৰ প্ৰদেশৰ মিৰাপুৰ, কুণ্ডাৰকি, গাজিয়াবাদ, খাইৰ, কৰহল, ছিছামৌ, ফুলপুৰ, কটেহাৰী, মাঝাৱন, পঞ্জাৱৰ ডেৰা বাবা নানক, ছব্বেৱাল, গিদ্দেৰবাহা, বৰ্ণালা আৰু কেৰেলাৰ পলাক্কাডত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। মন কৰিবলগীয়া যে, ১৩ আৰু ২০ নৱেম্বৰত ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ উপৰিও ১৫খন ৰাজ্যৰ দুখন লোকসভা আসন আৰু ৪৮খন বিধানসভা আসনত অনুষ্ঠিত হ'ব উপ-নিৰ্বাচন। ২৩ নৱেম্বৰত ঘোষণা কৰা হ'ব আটাইকেইটা সমষ্টিৰ নিৰ্বাচনী ফলাফল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিহালীত লুৰীণে ক'লে ইলন মাস্কৰ কথা

গগৈ আৰু অজিত কুমাৰ ভূঞাই। কংগ্ৰেছে বাৰে বাৰে পুনৰ মিত্ৰতা কৰা হ'ব বুলি কৈ আহিছে যদিও আজি যেন সকলো সীমা অতিক্ৰম কৰিলে সাংসদ অজিত কুমাৰ ভূঞাই। আজি কংগ্ৰেছৰ যুৱ নেতা তথা যোৰহাটৰ সাংসদ গৌৰৱ গগৈক পোনে পোনে আক্ৰমণ কৰা পৰিলক্ষিত হয়। বিহালী সমষ্টিত কংগ্ৰেছক নেতৃত্ব দি থকা গৌৰৱ গগৈক লৈ সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰ দি গৌৰৱ গগৈ কোন বুলি প্ৰশ্ন কৰে অজিত কুমাৰ ভূঞাই। বিহালীৰ অসম সন্মিলিত মৰ্চা তথা চিপিআইএমএলৰ প্ৰাৰ্থী লক্ষ্মী কান্ত কুৰ্মীৰ হৈ বিহালীত উপস্থিত হৈ অসম সন্মিলিত মৰ্চাৰ সভাপতি অজিত কুমাৰ ভূঞা আৰু সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈ প্ৰচাৰ চলাই। কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈক কঠোৰ ভাষাৰে সমালোচনা কৰি অজিত কুমাৰ ভূঞাই কয় যে গৌৰৱ গগৈ কোন? যোৰহাটত গৌৰৱ গগৈ নিজৰ বলত জয়ী হ'ব পৰা নাছিল। বিৰোধী ঐক্যমঞ্চৰ সহায়তহে জয়ী হৈছিল। প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মীৰ হৈ অজিত কুমাৰ ভূঞা, লুৰীণ জ্যোতি গগৈ আৰু বিবেক দাসে বৰগাঁওত ৰোড-শ্বত অংশগ্ৰহন কৰি ভূঞাই কয় যে ৰাজনীতি এতিয়া এনেকুৱা পৰ্যায়লৈ গৈছে যে এতিয়া টকা পইচাই সকলো নিৰ্ধাৰণ কৰিছে। দুৰ্নীতি পৰায়ন ব্যক্তিবিলাক টকাৰ জোৰত জয় হৈছে। আজি বিজেপি মানে কি? বিজেপি মানে আপুনি ইলেকচন কমিচনাৰৰ বিৰুদ্ধে যুঁজিব লাগিব। চিবিআই, ইডি, গদি মিডিয়া, ইনকাম টেক্স, ইচি এইবোৰ মিলিহে বিজেপি। বিজেপিৰ নিজস্ব কি আছে বুলি ভূঞাই প্ৰশ্ন উত্থাপন কৰে। লুৰীণজ্যোতি গগৈয়ে বিজেপি আৰু কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি বিজেপিৰ বিৰুদ্ধে আমি সকলোৱে একত্ৰিত হৈ যুঁজ দিব লাগিব বুলি কয়। ইভিএম টেম্পাৰিং প্ৰসংগক লৈ কয় যে ছফ্টৱেৰ ডিজাইনিঙৰ সৈতে জড়িত বিশ্বৰ প্ৰসিদ্ধ ব্যক্তি ইলন মাস্কেও কৈছে ইভিএম মেচিন হেক কৰিব পাৰি। টেম্পাৰিং কৰিব পাৰি। ইয়াৰ ছফ্টৱেৰ যিকোনো ধৰণে টেম্পাৰিং কৰিব পাৰি। এই কথা মই কোৱা নাই, ইলন মাস্কে কৈছে বুলিও কয় লুৰীণজ্যোতি গগৈয়ে। অহা ১৩ নৱেম্বৰত বিহালী সমষ্টিত অনুষ্ঠিত হ'ব উপ-নিৰ্বাচন। ১ লাখ ৩২ হাজাৰ ভোটাৰে ভৰি থকা বিহালী সমষ্টিত ৪ জনকৈ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। বিৰোধী কংগ্ৰেছ দলৰ জয়ন্ত বৰা, বিজেপিৰ দিগন্ত ঘাটোৱাৰ, অসম সন্মিলিত মৰ্চা-চিপিআইএমএলৰ প্ৰাৰ্থী লক্ষ্মীকান্ত কুৰ্মী আৰু আপৰ অনন্ত গগৈয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# টকা খোৱা অধ্যক্ষই চাকৰিৰ পৰা খালে

কৰাৰ অভিযোগত নিলম্বন কৰা ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে গুৱাহাটী মহানগৰীত। গুৱাহাটী মহানগৰীৰ এখন অগ্ৰণী উচ্চ শিক্ষানুষ্ঠানৰ অধ্যক্ষ, অধ্যাপক আৰু গাণনিকক চাকৰিৰ পৰা নিলম্বন কৰা হৈছে। গুৱাহাটী মহানগৰীৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান জেবি আইন মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ মালবিকা তালুকদাৰ, অধ্যাপক ৰঞ্জনজ্যোতি দাস আৰু গাণনিক প্ৰদীপ বেজবৰুৱাক আজি চাকৰিৰ পৰা নিলম্বন কৰা হয়। ড০ মালবিকা তালুকদাৰ, ৰঞ্জনজ্যোতি দাস আৰু গাণনিক প্ৰদীপ বেজবৰুৱাই প্ৰায় চাৰি কোটি টকা হৰলুকি কৰাৰ অভিযোগ উঠিছিল। বিত্তীয় কেলেংকাৰী ধৰা পৰাত পৰিচালনা সমিতিৰ পৰামৰ্শ অনুযায়ী তিনিওগৰাকীকে নিলম্বন কৰা হয়। জানিব পৰা মতে, আইন মহাবিদ্যালয়খনৰ বিত্তীয় হিচাপ পৰীক্ষাৰ অন্তত বিত্তীয় খেলি-মেলি ধৰা পৰিছিল। তাৰ পাছতে ৫জনীয়া সমিতিৰ দ্বাৰা পুনৰ হিচাপ পৰীক্ষা কৰা হয়। দ্বিতীয় প্ৰতিবেদনৰ ভিত্তিত তিনিওজনক নিলম্বন কৰা হয়। ২০১৯ চনৰ পৰা ২০২৪ চনলৈ তিনিটা বিত্তীয় বৰ্ষ ২০২০-২১, ২০২১-২২, ২০২২-২৩ বৰ্ষত ছাত্ৰ ছাত্ৰীৰ নামভৰ্তি মাচুল, পৰীক্ষাৰ মাচুল, আন্তঃগাঁথনি উন্নয়নৰ ধনৰ নামত কেলেংকাৰী সংঘটিত হোৱাৰ কথা ধৰা পৰিছে। জানিব পৰা মতে, এটা সংগঠনে প্ৰথনে নামভৰ্তিৰ খেলি-মেলি পোহৰলৈ আনিছিল। ঘোচ লৈ প্ৰৱেশ পৰীক্ষাত উত্তীৰ্ণ নোহোৱাকৈ ছাত্ৰক নামভৰ্তিৰ সুযোগ দিছিল। তাৰ পাছতে দুৰ্নীতি বিৰোধী যুৱ শক্তি নামৰ সংগঠনটোৱে চানমাৰি আৰক্ষী থানাত অভিযোগ দিছিল। আইন মহাবিদ্যালয়খনৰ বিত্তীয় খেলিমেলিক লৈ একাংশ ছাত্ৰ, অভিভাৱক আৰু পৰিচালনা সমিতি সৰৱ হৈছিল। জানিব পৰা মতে, মহাবিদ্যালয়খনৰ একাউণ্টত প্ৰায় ৮ কোটি টকা জমা আছিল। ইয়াৰে ৪ কোটি টকা অন্তৰ্ধান হৈছিল। সংগঠনটোৱে দাখিল কৰা এজাহাৰৰ ভিত্তিত ১২০৩/১৮ নম্বৰত ভাৰতীয় দণ্ড বিধিৰ ৪১৭/৪০৮/৪২০ ধাৰাত গোচৰ ৰুজু হয়। গোচৰ ৰুজু হোৱাৰ পাছত তদন্ত আৰম্ভ হয়। তদন্তত ব্যাপক ধনৰ খেলিমেলি ধৰা পৰে। এই খেলিমেলিত অধ্যক্ষ ড০ মালবিকা তালুকদাৰ, অধ্যাপক ৰঞ্জনজ্যোতি দাস আৰু গাণনিক প্ৰদীপ বেজবৰুৱা জড়িত হৈ পৰাত আজি তিনিওজনকে চাকৰিৰ পৰা নিলম্বন কৰা হয়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চাকৰিত যোগ দিয়াৰ পৰিৱৰ্তে

মৃতদেহ আজি ডিব্ৰুগড় আৰু চৰাইদেউ জিলাৰ নিজ নিজ গৃহলৈ নিয়াত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। নংপো অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পাছতে পৰিয়ালে মৃতদেহ চমজি লৈ নিজ নিজ ঘৰলৈ নিয়ে। ডিব্ৰুগড় জিলাৰ মৰাণৰ টেঙাদলঙৰ নীলোৎপল দুৱৰী আৰু চৰাইদেউ জিলাৰ জ্যোতিপুৰৰ গাৰ্গী চুতীয়াৰ নিজ নিজ গাঁৱত সম্পন্ন কৰা হয় শেষকৃত্য। উচ্চ শিক্ষিত নীলোৎপলে গুৱাহাটীত কোচিং কৰি চাকৰিৰ বাবে সাক্ষাৎকাৰ দি গৈছিল। দুদিন পূৰ্বে এটা ব্যক্তিগত কোম্পানীত সাক্ষাৎকাৰ দিছিল। গুগল ৩৬০ৰ ফিল্ড অফিচাৰ হিচাপে যোগদান কৰিবলৈ নীলোৎপলক আমন্ত্ৰণ কৰিছিল। ৪ নৱেম্বৰত চাকৰিত যোগদানৰ পূৰ্বে ৩ নৱেম্বৰত প্ৰেমিকাক লৈ ফুৰিবলৈ যোৱাৰ সময়তে মেঘালয়ৰ নংপোত পথ দুৰ্ঘটনাত পতিত হৈ নিলোৎপল আৰু প্ৰেমিকা গাৰ্গীয়ে মৃত্যুক আকোৱালি লয়। আনহাতে গাৰ্গীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি আছিল। দুয়োজনৰে সম্পৰ্কক দুয়োটা পৰিয়ালে মানি লৈছিল। মেঘালয়ৰ ৰি-ভৈ জিলাৰ শাংবাংলাত সংঘটিত হৈছিল এই দুৰ্ঘটনা। শ্বিলং-গুৱাহাটী ৰাষ্ট্ৰীয় ঘাইপথত দ্ৰুতবেগী এখন ট্ৰাকত এনফিল্ড মটৰচাইকেলেৰে খুন্দা মৰাত দুয়ো থিতাতে নিহত হয়। মটৰচাইকেলখনত থকা প্ৰেমিক যুগলে ট্ৰাকখনক অতিক্ৰম কৰিবলৈ চেষ্টা কৰাৰ সময়তে ট্ৰাকত খুন্দা মৰাত মটৰচাইকেলখন ট্ৰাকৰ তলত সোমাই পৰিছিল। নংপো আৰক্ষীয়ে ডিব্ৰুগড়ৰ মৰাণৰ ২৩ বছৰীয়া নীলোৎপাল দুৱৰী আৰু চৰাইদেউৰ ২১ বছৰীয়া গাৰ্গী চুতীয়া বুলি চিনাক্ত কৰা কৰিছিল। যুৱক-যুৱতীহালে উঠি যোৱা এনফিল্ডখনৰ নম্বৰ আছিল এএছ-০১-এফএফ-৩৩৬৭ আৰু ট্ৰাকখনৰ নম্বৰ হৈছে এএছ-০১-আৰচি-০৪১৩। নংপো আৰক্ষীয়ে ইতিমধ্যে এএছ-০১-আৰচি-০৪১৩ নম্বৰৰ ট্ৰাকখন জব্দ কৰি চালকক আটক কৰিছে। চুবুৰীয়া ৰাজ্য মেঘালয়ত ফুৰিবলৈ গৈ পুনৰ অসমৰ যুৱক-যুৱতীয়ে প্ৰাণ হেৰুওৱাত চাঞ্চল্যৰ সৃষ্টি হৈছে। দীপাৱলীত মেঘালয় ভ্ৰমণ কৰি আহি খানাপাৰাত দুৰ্ঘটনাত পতিত হৈ দীপিত দে আৰু কনমিকা বসুমতাৰী নামৰ যুৱক-যুৱতীৰ মৃত্যুৰ ঘটনাক লৈ চাঞ্চল্য মাৰ নৌযাওঁতেই পুনৰ মেঘালয় ভ্ৰমণ কৰিবলৈ গৈ অসমৰ এহাল যুৱক-যুৱতী নিহত হোৱাত ৰাজ্যখনত শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে দুৰ্গা পূজাৰ পিছৰে পৰা ৰাজ্যখনৰ কেবাগৰাকী লোক ভিন্ন প্ৰান্তত সংঘটিত দুৰ্ঘটনাত নিহত হৈ আহিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্ঘটনাৰ ভয়ত বাইক নিদি স্কৰপিঅ'

চাবলৈ দিছপুৰ থানাৰ সন্মুখত মানুহৰ সোঁত বৈছে। ভয়ংকৰ পথ দুৰ্ঘটনাত লৈ বহু জল্পনা-কল্পনা অব্যাহত আছিল। তাৰ মাজতে আজি সেই ভয়ংকৰ দুৰ্ঘটনাৰ দৃশ্য পোহৰলৈ আহিছে। চিচিটিভিত বন্দী দৃশ্য ৰাজহুৱা হৈ পৰাৰ পাছতে মানুহৰ দেহ-মন কঁপি উঠিছে। বতাহৰ গতিত আহি থকা বাহনখনক দীপিতে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে আৰু নিয়ন্ত্ৰণ হেৰুৱাই ফুটব্ৰীজৰ ওপৰত কেনেদৰে উঠি গৈছিল সেই দৃশ্য প্ৰত্যক্ষ কৰি মানুহ হতচকিত হৈ পৰিছে। গাৰ নোম শিয়ৰি উঠা দৃশ্যই অভিভাৱককো চিন্তিত কৰিছে। চিচিটিভিৰ দৃশ্য অনসুৰি তেতিয়া পুৱতি নিশা ৩ বাজি ৪০ মিনিট পাৰ হৈছিল। স্থান আছিল খানাপাৰাৰ হোটেল ভিভান্টাৰ সন্মুখভাগ। সিদিনা ৰাতিৰ দৃশ্য অনুসৰি বগা স্কৰপিঅ'খন ছয়মাইলৰ দিশৰ পৰা আহি আছিল যদিও হঠাতে ইউটাৰ্ণ লয়। সেই সময়ত ইউটাৰ্ণ লৈ থকা বগা স্কৰপিঅ'খন বিপৰীত দিশৰ ৰাস্তাটোত প্ৰায় আধা অংশ সোমাই পৰে। সেই সময়তে বতাহৰ বেগত অহা ক'লা স্কৰপিঅ'খনে বগা স্কৰপিঅ'খনৰ সন্মুখভাগত খুন্দামাৰি ফুটব্ৰীজত উঠি যায়। পুনৰ ফুটব্ৰীজৰ ওপৰৰ ক'লা স্কৰপিঅ'খন তলত আহি পৰি চুচুৰ্মৈ হৈ পৰে। ক'লা স্কৰপিঅ'খনৰ চকা খুলি পৰিছিল। চিচিটিভি দৃশ্য প্ৰত্যক্ষ কৰি বগা স্কৰপিঅ'খনে বিপৰীত দিশৰ পথটোৰ গাড়ী নোচোৱাকৈ ইউ-টাৰ্ণ লোৱাৰ সন্দেহ কৰা হৈছে। কিয়নো ক'লা স্কৰপিঅ'খন আহি থকা দিশৰ সন্মুখভাগত নাছিল কোনো গাড়ী। সেয়েহে তীব্ৰ বেগত আহি আছিল যদিও হঠাতে বগা স্কৰপিঅ'খন সন্মুখত দেখি দীপিত, কনমিকা আৰু নীহাৰিকা উঠি অহা ক'লা স্কৰপিঅ'খন নিয়ন্ত্ৰণ কৰিব নোৱাৰাত মেধাৱী ছাত্ৰী কনমিকা আৰু দীপেত প্ৰাণ হেৰুৱাই। দুৰ্ঘটনাৰ কিছু সময় পাছতে কিছু লোক উপস্থিত হৈ ক্ষত-বিক্ষত অৱস্থাত উদ্ধাৰ কৰিছিল দুই যুৱতী আৰু এজনৰ যুৱকক। ইয়াৰে এগৰাকী যুৱতী আৰু এজন যুৱকে ইতিমধ্যেই প্ৰাণ হেৰুৱাইছিল। ইপিনে চিচিটিভিৰ দৃশ্য প্ৰত্যক্ষ কৰি ক্ষুব্ধ হৈ দীপিতৰ পিতৃ সুবীৰ কান্তি দে'ই কয় যে বগা স্কৰপিঅ'খনৰ চালকৰ বাবে মই একমাত্ৰ ল'ৰাটোক হেৰুৱালো। প্ৰথমবাৰ মিডিয়াৰ সন্মুখলৈ আহি দীপিতৰ পিতৃ সুবীৰ কান্তিয়ে বগা স্কৰপিঅ'খনৰ বাবে পুত্ৰই প্ৰাণ হেৰুৱালে বুলি দাবী কৰিছে। আনহাতে, নিশা পুত্ৰই ঘৰৰ পৰা ওলাই যোৱাটোও ভুল আছিল বুলি কৈ পিতৃ সুবীৰ কান্তিয়ে কয়, "সি এখন বাইক এখন বিচাৰিছিল। বাইক দিলে দুৰ্ঘটনা হ'ব পাৰে বুলি ভয় কৰি বাইক কিনি নিদিলো। ছেফটিৰ কথা ভাবি যোৱা ৭ অক্টোবৰত স্কৰপিঅ'খন কিনি দিছিলো। সিদিনা তাক ঘৰৰ পৰা ওলাই যোৱাৰ সময়ত বাধা দিব নোৱাৰিলো। আমাৰ ভুল হ'ল।" ঘটনা সন্দৰ্ভত এটি গোচৰো ৰুজু কৰিছে পিতৃ সুবীৰ কান্তিয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হু ইজ জুবিন

যদিও জুবিন গাৰ্গে কৰা এক মন্তব্যক লৈ খোদ এতিয়া বিপদত পৰিছে জুবিন গাৰ্গ। অসমৰ সচেতন নাগৰিকে জুবিন গাৰ্গক ধিক্কাৰ দিয়াৰ লগতে শাসকীয় দল বিজেপিৰ একালৰ নয়নৰ মণি হৈ পৰা জুবিন গাৰ্গ এতিয়া বিজেপিৰ নেতাৰ ৰোষত পৰিছে। অসমীয়া ভাষাক লৈ কৰা এক বিতৰ্কিত মন্তব্যক লৈ সংবাদমাধ্যম আৰু সামাজিক মাধ্যম উত্তাল হৈ পৰাৰ সময়তে আজি বিজেপিৰ জ্যেষ্ঠ নেতা তথা ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে 'হু ইজ জুবিন গাৰ্গ' (জুবিন গাৰ্গ কোন) বুলি প্ৰশ্ন কৰিছে? জুবিন গাৰ্গে অসমীয়া ভাষাক মাথো ২০০ বছৰ হোৱা বুলি কৰা মন্তব্যত খঙত টিঙিৰি তুলা হৈ প্ৰশান্ত ফুকন কয় যে জুবিনৰ লিভাৰ বেলেগ বেলেগ জেগাত আছে নেকি? জুবিনে যি ক'ব সেয়াই হ'ব নেকি? জুবিনৰ কোনো মেটেৰিয়েল নাই। কেইটামান গান গালেই জুবিনৰ সকলো কথা ভাল হৈ যাব নেকি বুলিও কৈ প্ৰশান্ত ফুকনে কয় জুবিনে অকল গান ভালকৈ গাব পাৰে। জুবিনে সাৱলীলভাৱে কথা ক'ব নোৱাৰে। গছ নাকাতো বুলি মুখ্যমন্ত্ৰীয়ে কোৱাৰ পিছতো কিয় গছৰ তলত বহি আছে বুলি প্ৰশ্ন কৰি বিধায়ক ফুকনে আৰু কয় যে মুখ্যমন্ত্ৰীয়ে কোৱাৰ পিছতো কিয় গছৰ তলত বহি থকা হৈছে বুলি জুবিন গাৰ্গক সমালোচনা কৰে। দীঘলীপুখুৰীৰ পাৰ গছ ৰক্ষাৰ বাবে কৰাৰ আন্দোলন আৰু জুবিন গাৰ্গে অসমীয়া ভাষাক লৈ কৰা বিতৰ্কিত মন্তব্যৰ বাবে জুবিন গাৰ্গক ক্ষুৰধাৰ সমালোচনা বিজেপিৰ বিধায়কগৰাকীৰ। উল্লেখ্য যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাকৈ শনিবাৰে জুবিন গাৰ্গ কৰিছিল বিতৰ্কিত মন্তব্য। অসমীয়া ভাষা ২০০ বছৰো পুৰণি নহয় বুলি কৈছিল শিল্পী জুবিন গাৰ্গে। দীঘলীপুখুৰীপাৰৰ প্ৰতিবাদস্থলীত জুবিনে কৈছিল "অসমীয়া ভাষাৰ দুশ বছৰ হোৱাই নাই' বুলি কৈ অসমীয়া ভাষাটোক অপমান কৰে। ধ্ৰুপদী ভাষা অকল সংস্কৃত। ভাৰতত বাকী কোনো ধ্ৰুপদী ভাষা নহয়, সেইবোৰ এতিয়া ঘোষণা কৰিলে নহ'ব। অসমীয়া ভাষাৰ ২০০ বছৰো হোৱা নাই। এতিয়া ধ্ৰুপদী ভাষা বুলি কৈছে, তেনেকৈ দিলে নহ'ব নহয়। এইটো বহুত পিছত অহা ভাষা। ধ্ৰুপদী ভাষা কেইটামান আছে পালি, প্ৰাকৃত আৰু সংস্কৃত।" এই মন্তব্যৰ পিছতে এতিয়া সৰ্বত্ৰে ব্যাপকভাৱে সমালোচনাৰ সন্মুখীন হ'বলগীয়াত পৰিছে চেলিব্ৰেটি গায়কগৰাকী।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিটেনশ্যন কেম্প উন্নত কৰিবলৈ নিৰ্দেশ

থকা এক গোচৰৰ আজি শুনানি গ্ৰহণ কৰে সৰ্বোচ্চ ন্যায়ালয়ৰ বিচাৰপীঠে। এই শুনানিৰ সময়ত ন্যায়ালয়ে ডিটেনশ্যন কেম্পসমূহৰ আন্তঃগাঁথনি নিশ্চিত কৰিবলৈ অসম চৰকাৰক এমাহৰ সময়সীমা বান্ধি দিছে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ অভয় এছ ওকা আৰু ন্যায়াধীশ অগাষ্টিন জৰ্জ মাছিৰ বিচাৰপীঠে অসম চৰকাৰক প্ৰদান কৰে এই নিৰ্দেশ। উল্লেখ্য যে, অসমৰ ছটা ডিটেনশ্যন কেম্পতে পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ, খোৱাপানী, স্বাস্থ্য সেৱা, অনাময় ব্যৱস্থাৰ অভাৱৰ অভিযোগ উত্থাপন হৈ আহিছে। বিশেষকৈ প্ৰায় ৬৪ কোটি টকা ব্যয়ৰে গোৱালপাৰাৰ মাটিয়াত নিৰ্মাণ কৰা ভাৰতৰ সৰ্ববৃহৎ ডিটেনশ্যন কেম্পটোতো অপুষ্টিকৰ পৰিৱেশত বন্দীসকলে জীৱন যাপন কৰি অহাৰ অভিযোগ কৰি আহিছে বহু মানৱ অধিকাৰ সংস্থাই। আদালতত তৰা এনে এক গোচৰৰে যোৱা জুলাই মাহত শুনানি গ্ৰহণ কৰি শিৱিৰসমূহৰ অপৰ্যাপ্ত আন্তঃগাঁথনিক লৈ অসম চৰকাৰক সমালোচনা কৰিছিল উচ্চতম ন্যায়ালয়ে। পিছত যোৱা মাহতো এই গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশ ওকা আৰু ন্যায়াধীশ মাছিৰ বিচাৰপীঠে মাটিয়াৰ কেম্পত বন্দীসকলৰ খাদ্য, পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু আন আন সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ অসম আইন সেৱা প্ৰাধিকৰণৰ সচিবক নিৰ্দেশ দিছিল। কিন্তু ইয়াৰ পিছতো ডিটেনশ্যন কেম্পসমূহৰ আন্তঃগাঁথনিৰ কোনো পৰিৱৰ্তন নঘটাক লৈ আজি পুনৰবাৰ অসন্তুষ্টি ব্যক্ত কৰে উচ্চতম ন্যায়ালয়ে। আজি শুনানিৰ সময়ত ন্যায়াধীশ ওকাই কয়, “ডিটেনশ্যন কেম্পসমূহৰ অৱস্থাক লৈ সন্তোষ ব্যক্ত কৰাৰ কোনো স্থল নাই। অসমৰ ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ প্ৰতিবেদন অনুসৰি নূন্যতম স্বাস্থ্য সুবিধাৰ অভাৱো দেখা গৈছে। আনকি কোনো মহিলা চিকিৎসকো নাই। পৰ্যাপ্ত আন্তঃগাঁথনি নিশ্চিত কৰিব লাগিব।” একে সময়তে চৰকাৰৰ সৈতে জড়িত সকলো পক্ষৰ বৈঠকত অসম আইন সেৱা প্ৰাধিকৰণক উপস্থিত থাকিবলৈও নিৰ্দেশ দিয়ে উচ্চতম ন্যায়ালয়ে। এই বৈঠকৰ পিছত আইন সেৱা প্ৰাধিকৰণক ৯ ডিচেম্বৰত আদালতত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে সৰ্বোচ্চ ন্যায়ালয়ে। উল্লেখ্য যে, ২০১৯ চনৰ চৰকাৰৰ তথ্য অনুসৰি অসমৰ ছয়টা ডিটেনশ্যন কেম্পত মুঠ ১০৪৬ জন লোক আৱদ্ধ হৈ আছে। এই লোকসকলৰ বন্দীত্বক লৈও সময়ে সময়ে প্ৰশ্ন উত্থাপন হৈ আহিছে। বিহত মে' মাহত উচ্চতম ন্যায়ালয়ে অসমৰ বিভিন্ন কেম্পত বন্দী হৈ থকা ১৭ জন বিদেশীৰ বন্দীত্বক লৈ কেন্দ্ৰীয় চৰকাৰক এক নিৰ্দেশ প্ৰদান কৰিছিল উচ্চতম ন্যায়ালয়ে। আদালতে সেই সময়ত কৈছিল যে এইসকল বিদেশীৰ বিৰুদ্ধে কোনো অপৰাধমূলক গোচৰ চলি থকা নাই, গতিকে তেওঁলোকক আৱদ্ধ কৰি ৰখাটো কোনোপ্ৰকাৰে অনিবাৰ্য বিবেচিত হ'ব নোৱাৰে। প্ৰসংগক্ৰমে, সন্দেহযুক্ত নাগৰিকত্ব আৰু বিদেশী ন্যায়াধিকৰণে অবৈধ অনুপ্ৰৱেশকাৰী বুলি ৰায় দিয়া লোকক বন্দী কৰি ৰখা ডিটেনশ্যন কেম্পসমূহত মানৱ অধিকাৰৰ উলংঘাৰো অভিযোগ উত্থাপন হৈ আহিছে। এই শিৱিৰত বন্দী হৈ থকাসকলে অতি প্ৰতিকূল পৰিস্থিতিত অতিমাত্ৰা ভিৰ আৰু তীব্ৰ মানসিক চাপৰ মাজত জীৱন অতিবাহিত কৰিবলগীয়া হোৱাৰ অভিযোগ উত্থাপন হৈ আহিছে। ২০১৯ চনত ৰাজ্যসভাত তদানীন্তন কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে প্ৰদান কৰা এক প্ৰশ্নৰ উত্তৰত প্ৰকাশ কৰিছিল যে অসমৰ ডিটেনশ্যন কেম্পত এই পৰ্যন্ত ২৮ জন লোকৰ মৃত্যু ঘটিছে। বিৰোধী আৰু বহু মানৱ অধিকাৰ সংস্থাই অভিযোগ কৰে যে এইসকল লোকৰ মৃত্যুৰ কাৰণ হৈছে শিৱিৰৰ পৰ্যাপ্ত আন্তঃগাঁথনিৰ অভাৱ আৰু পৰিকল্পিতভাৱে প্ৰদান কৰা তীব্ৰ ভয় আৰু মানসিক চাপ। অৱশ্যে কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰীগৰাকীয়ে এই অভিযোগ খণ্ডন কৰি দাবী কৰে যে এই শৰণাৰ্থীসকলৰ মৃত্যুৰ কাৰণ আছিল কেৱল শাৰিৰীক অসুস্থতা। উল্লেখ্য যে, ছেপ্টেম্বৰ মাহত গোৱালপাৰা জিলাৰ মাটিয়াত থকা শিবিৰত ম্যানমাৰৰ পৰা অহা ৰোহিংগীয়া আৰু চীনৰ শৰণাৰ্থীসকল দীৰ্ঘদিন ধৰি বন্দী হৈ থকাত অনশন কৰিছিল। প্ৰতিবাদকাৰীসকলে নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী উচ্চায়ুক্তলৈ পত্ৰ প্ৰেৰণ কৰি উক্ত শিবিৰৰ পৰা স্থানান্তৰ আৰু তৃতীয় দেশত পুনৰ সংস্থাপনৰ দাবী জনাইছিল। কেম্পটোত বৰ্তমান বিদেশী বুলি চিনাক্ত কৰা আৰু অবৈধ অনুপ্ৰৱেশকাৰীৰ সন্দেহত ২০০ ৰো অধিক লোকক বন্দী কৰি ৰখা হৈছে বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাকৰ ৰাইজক ঠগাইছে হিমন্ত বিশ্বই!

পৃথ্বিৰাজ সাথে আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাৰ সৈতে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ মাজতে এক সংবাদমেলত জিতেন্দ্ৰ সিঙে আজি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰিছে। এয়া ডেৰ বছৰৰ বাবে উপ-নিৰ্বাচন। এই উপ-নিৰ্বাচনক অসমবাসীয়ে অন্যধৰণে লৈছে। কিয়নো মুখ্যমন্ত্ৰী আৰু বিজেপিয়ে যি আশ্বাস, প্ৰতিশ্ৰুতি আৰু ঘোষণা কৰিছিল সেই মতে একো কামেই কৰা নাই। বৰাক উপত্যকাই যি অধিকাৰ লাভ কৰিব লাগিছিল সেই অধিকাৰ লাভ কৰা নাই, বৰং পূৰ্বতে লাভ কৰা অধিকাৰো কাঢ়িহে লৈছে। পূৰ্বে বৰাক উপত্যকাৰ ১৫ বিধায়কে অসম বিধানসভাত সৰৱ ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু বিজেপিয়ে সমষ্টি পুনৰ নিৰ্ধাৰণ কৰি বিধায়কক চুপ কৰি পেলাইছে। বৰাকত সমষ্টি ১৩টালৈ হ্ৰাস কৰা হৈছে। এতিয়া বৰাকৰ পৰা মাথো ১৩গৰাকী লোক বিধানসভালৈ যাব। এয়া বৰাক উপত্যকাৰ সৈতে প্ৰতাৰণা। চৰকাৰে ১৫খন আসনৰ ঠাইত ২০ খন আসন কৰিব লাগিছিল। বৰাকক চৰকাৰে মাহীআইৰ দৰে ব্যৱহাৰ কৰিছে। আজি বৰাক উপত্যকাত বিজেপিয়ে শিক্ষা, স্বাস্থ্য, বিজুলী, আন্তঃগাঁথনিৰ উন্নয়নত বিফল হৈছে। কেবিনেটত বৰাক উপত্যকাৰ এজনো নেতাক স্থান দিয়া হোৱা নাই। বৰাকত আজি সাধাৰণ অস্ত্ৰোপচাৰ এটা ভালকৈ কৰিব পৰাৰ সুবিধা নাই। হৃদৰোগত আক্ৰান্ত হ'লে ৰোগীক গুৱাহাটী নাইবা কলকাতালৈ নিবলগীয়া হয়। নিবনুৱা সংস্থাপন এতিয়া বৰাকৰ বাবে ডাঙৰ সমস্যা। যেতিয়াই ভৰ্তিৰ বাবে নিযুক্তি ওলাই তেতিয়াই বৰাকৰ নিবনুৱা বঞ্চিত হয়। ৰাজধানীৰ ওচৰে-পাজৰে থকা লোকে সংস্থাপন লাভ কৰে যদিও বৰাকৰ নিবনুৱা বঞ্চিত হৈ ৰয়। তৃতীয়, চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে স্থানীয় পৰ্যায়ত স্থানীয় লোকক নিযুক্তি দিব লাগে। মুখ্যমন্ত্ৰীয়ে এনেকৈ নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু প্ৰতিশ্ৰুতি পূৰণ কৰা হোৱা নাই। মই কেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ সময়ত তেতিয়া তৰুণ গগৈৰ চৰকাৰ আছিল। সেই সময়ত বৰাক, উজনি অসম, মধ্য-উত্তৰ অসম তথা নামনি অসমত সমপৰ্যায়ৰ গুৰুত্ব দিয়া হৈছিল। সকলো এলেকাক অধিকাৰ দিয়া হৈছিল। আজি তাৰ বিপৰীত হৈছে। যিসকলে মুখ্যমন্ত্ৰীৰ চামচাগিৰি কৰিব পাৰে, চুটকেছ কঢ়িয়াই ফুৰিব পাৰে, সেইসকল বিধায়কে বাজেট লাভ কৰে। সেইসকলৰ এই এলেকাক লৈ কোনো জ্ঞান নাই। বৰাক উপত্যকাৰ সকলো পথৰ অৱস্থা বেয়া। ৰাস্তাত শিল পেলাই ফটো প্ৰচাৰ কৰি বাঃবাঃ লৈছে, তাৰ বাহিৰে কাম হোৱা নাই। অসমৰ সৈতে আন ৰাজ্যৰ তুলনা নহয়। মিনি ইণ্ডিয়া অসমখন। বিভিন্ন ধৰ্ম, বৰ্ণ, জাতি, জনগোষ্ঠীৰ লোকে বসবাস কৰে। বিটিআৰ এলেকা, চাহ জনগোষ্ঠীৰ এলেকা, আহোমসকলৰ এলেকাৰ সুকীয়া সংস্কৃতি আছে। অসম চুক্তিয়ে সংস্কৃতিৰ সুৰক্ষা দিয়াৰ কথা কৈছে। কিন্তু বৰাক উপত্যকাৰ সংস্কৃতি কোনে ৰক্ষা কৰিব? সেই কথা আজিৰ চৰকাৰে নকয়। চাহ বাগিচা এলেকাত মাহীআইৰ দৃষ্টি দিয়া হৈছে। অসমৰ অন্যান্য ঠাইত চাহ শ্ৰমিকে ২৭০, ২৮০ টকা পাৰিশ্ৰমিক লাভ কৰি আহিছে। কিন্তু বৰাক উপত্যকাৰ শ্ৰমিকে মাথো ১৮০ৰ পৰা ২৩০ টকা পাৰিশ্ৰমিক লাভ কৰি আহিছে। এখন ৰাজ্যত দুই ধৰণৰ পাৰিশ্ৰমিক কিয় বুলিও তেওঁ প্ৰশ্ন কৰে। যাৰ বাবে আজি ১০০খন বাগিচা বন্ধ হৈছে। পানী, বিদ্যুতৰ সমস্যা, বৰাক উপত্যকত বিজুলী ইয়াত নাহে। বৰাকত স্মাৰ্ট মিটাৰ লগাইছে, পথৰ ব্যৱস্থা উন্নত কৰা নাই। মুখ্যমন্ত্ৰীয়ে বৰাকত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অহাৰ সময়তে এই কথাবোৰৰ উত্তৰ দিব লাগে। বিজেপিৰ জিলা উপ-সভাপতি অমিয়কান্তি দাসে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যে বিজেপিৰ ধলাইৰ প্ৰাৰ্থীজন বাংলাদেশী। সেই কাৰণে ইয়াৰ স্থানীয় প্ৰাৰ্থী কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি পুৰকায়স্থক ভোট দিবলৈ জিতেন্দ্ৰ সিঙে আহ্বান জনায়। একেদৰে বঙাইগাঁও, বিহালী, চামগুৰি, ছিদলী সমষ্টিতো কংগ্ৰেছে ভাল ফল দেখুৱাবলৈ সমৰ্থ হ'ব বুলি মন্তব্য কৰে। সকলো কংগ্ৰেছীয়ে ভাল যুঁজ দিছে। এই নিৰ্বাচনত ৰাইজে ক্ষোভৰ বহিঃপ্ৰকাশ কৰিব। অসমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে সমগ্ৰ ভাৰতত ভ্ৰষ্টাচাৰী মুখ্যমন্ত্ৰী হিচাপে নাম জহাইছে। অন্য ৰাজ্যলৈ গৈ অসমৰ মুখ্যন্ত্ৰীয়ে দুৰ্নীতিৰ কথা ক'লে অসমৰ মানুহৰ সন্মান লাঘৱ হয় বুলিও কয় কংগ্ৰেছ নেতাগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত আজি উন্মোচিত হ'ব

লোকক একত্ৰিত কৰি জাতীয় জীৱনক আগুৱাই নিয়া পথৰ সন্ধান দি থৈ গৈছে। তেখেতৰ সৃষ্টি-চিন্তাক হাতে কামে আগবঢ়াই নিয়াৰ প্ৰয়োজন। এই মন্তব্য প্ৰকাশ কৰিছে সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ড° ভূপেন হাজৰিকা স্মাৰক সমিতি, কোকৰাঝাৰৰ উদ্যোগত আৰু বিটিচি প্ৰশাসনৰ পৃষ্ঠপোষকতাত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কোকৰাঝাৰত ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ চতুৰ্দশ মৃত্যু দিৱস উদযাপনৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচী "জাতীয় সংহতি নিৰ্মানত ড° ভূপেন হাজৰিকা "শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি উক্ত মন্তব্য প্ৰকাশ কৰিছে ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত আয়োজিত হোৱা উক্ত আলোচনাচক্ৰৰ পিছতে সংবাদমাধ্যমৰ আগত উক্ত মন্তব্য প্ৰকাশ কৰি ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে ভূপেন হাজৰিকা স্মাৰক সমিতিৰ উদ্যোগত আৰু বিটিচি মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ নেতৃত্বত কোকৰাঝাৰত তিনিদিনীয়া কাৰ্যসূচীৰে ভূপেন হাজৰিকাৰ যি সংহতি দিৱস উদযাপন কৰা হৈছে সেয়া সমগ্ৰ অসমৰ বাবে অনুকৰণীয়। ড° ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ বাবে প্ৰমোদ বড়োক অসমৰ ৰাইজৰ হৈ গভীৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰি ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই কয় যে সকলোৰে মাজত মিলন, সদ্ভাৱ, সমন্বয়, সম্প্ৰীতি আৰু সংহতি কেনেদৰে আগবঢ়াই নিব পাৰি সেয়া ভূপেন হাজৰিকাই শব্দ, বাক্য আৰু সৃষ্টিৰে বাট দেখুৱাই দি থৈ গৈছে। সেই বাটেৰে আগুৱাই যাবলৈ সংহতিৰ বাবে কোকৰাঝাৰে যি প্ৰচেষ্টা হাতত লৈছে সেয়া অনুকৰণীয় আৰু সকলোকে একত্ৰিত কৰি আগুৱাই গ'লে জাতীয় জীৱন সমৃদ্ধিশালী হ'ব। তদুপৰি ড° ভূপেন হাজৰিকাৰ ১০০ টা গীত বড়ো ভাষাত অনুদিত কৰিব পাৰি নেকি তাৰ বাবে এবছু, বড়ো সাহিত্য সভা, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সতে আলোচনা কৰা হ'ব বুলি মন্তব্য কৰি এয়াও এক সপোন বুলি মন্তব্য কৰে ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ইপিনে অসমীয়া ভাষাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাতো আনন্দৰ বিষয় বুলি উল্লেখ কৰি ইয়াৰ বাবে বিধি ব্যৱস্থা আৰু কৰণীয় কামখিনি চৰকাৰে দায়িত্বসহকাৰে গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰিছে ভট্টাচাৰ্যই। ৰাজ্যভাষা অসমীয়াৰ লগতে সকলো জনজাতি আৰু জনগোষ্ঠীয় ভাষা বিকাশ হ'লেহে ভাষা শক্তিশালী হ'ব বুলিও মন্তব্য কৰিছে ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই। ইপিনে আজিৰ আলোচনাচক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অমৰজ্যোতি চৌধুৰীয়েও ভূপেন হাজৰিকা স্মাৰক সমিতিৰ উদ্যোগক প্ৰশংসা কৰি প্ৰমোদ বড়োৰ বদন্যতাক কৃতজ্ঞতা জনাইছে। উল্লেখ্য যে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ নীলেশ্বৰ ব্ৰহ্ম প্ৰেক্ষাগৃহত আয়োজিত হোৱা "জাতীয় সংহতি নিৰ্মাণত ড° ভূপেন হাজৰিকা" শীৰ্ষক আলোচনাচক্ৰখনি আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাচাৰ্চ ৰেক্টৰ যতীন শৰ্মাই। উক্ত আলোচনাচক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অমৰজ্যোতি চৌধুৰীয়ে বিশেষ ভাষণ প্ৰদান কৰে। তদুপৰি আমন্ত্ৰিত অতিথি হিচাপে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° সুবুং বসুমতাৰী, এবছুৰ সহকাৰী সাধাৰণ সম্পাদক দীনেশ ব্ৰহ্ম আৰু সমল ব্যাক্তি হিচাপে ইন্দিৰা বড়ো, পাৰ্থ চট্টোপধ্যায়, ড° ভৱানী প্ৰসাদ শৰ্মা, ড° ৰ'জ মেৰী কোচ আৰু যোচেফ এচ ছোৰেন উপস্থিত আছিল। আলোচনাচক্ৰখনৰ কাৰিকৰী সঞ্চালনা কৰে ড° হিল্লোলজ্যোতি সিংহ আৰু ড° ভৌমিক বড়োৱে। প্ৰণিধানযোগ্য যে কোকৰাঝাৰ সদৰ চহৰৰ জিলা উপায়ুক্ত বাসভৱনৰ সমীপত কাইলৈ অৰ্থাৎ ৫ নৱেম্বৰত মৃত্যুতিথিৰ সৈতে সংগতি ৰাখি বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে ড° ভূপেন হাজৰিকাৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি উন্মোচন কৰিব।

# কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলৰ প্ৰতিবাদী ৰেলী

**ই-সংবাদ, কোকৰাঝাৰ, ৪ নৱেম্বৰঃ** কমতাপুৰ লিবাৰেছন অৰ্গেনাইজেছন চমুকৈ কেএলঅ'ৰ অধ্যক্ষ জীৱন সিংহ আৰু কেএলঅ'ৰ (কেএন) অধ্যক্ষ ডি এল কোচৰ  সৈতে শান্তি চুক্তি স্বাক্ষৰৰ জৰিয়তে কমতাপুৰ ৰাজ্য পুণৰ গঠন কৰা, কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যদা প্ৰদান কৰা আৰু কোচ-ৰাজবংশী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তকৰণৰ দাবীত আজি কোকৰাঝাৰত কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলৰ উদ্যোগত বিশাল প্ৰতিবাদী সমদল বাহিৰ কৰা হয়। কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলৰ উদ্যোগত কোকৰাঝাৰৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেল পথাৰৰ পৰা বাহিৰ হোৱা বিশাল প্ৰতিবাদী সমদলটোৱে সদৰ চহৰ পৰিভ্ৰমন কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ জিলা আয়ুক্তৰ জৰিয়তে দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰী লৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলৰ কোকৰাঝাৰ জিলা সভাপতি প্ৰফুল্ল ৰায় আৰু সাধাৰণ সম্পাদক ৰতন চন্দ্ৰ বৰ্মনে জিলা আয়ুক্তৰ জৰিয়তে গৃহমন্ত্ৰীলৈ দিয়া স্মাৰকপত্ৰত কেএলঅ'ৰ অধ্যক্ষ জীৱন সিংহ আৰু কেএলঅ (কেএন)ৰ অধ্যক্ষ ডি এল কোচৰ সতে শান্তি চুক্তি স্বাক্ষৰৰ জৰিয়তে কমতাপুৰ ৰাজ্য পুৰ গঠন কৰা, কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যদা প্ৰদান কৰা আৰু কোচ-ৰাজবংশী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তকৰণৰ দাবী জনাইছে।সংসদৰ আগন্তক শীতকালীন অধিবেশনৰ পূৰ্বে উপৰোক্ত দাবীসমূহ পূৰণ নহ'লে অসম, উত্তৰবঙ্গ আৰু বিহাৰত থকা কোচ-ৰাজবংশী জনগণক লৈ বৃহৎ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি সঁকিয়াই দিছে কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলে। ইপিনে আজিৰ বিশাল প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলৰ মুখ্য সমন্বয়ক লক্ষীন্দ্ৰ ৰায় আৰু সাধাৰণ সম্পাদক বাণীকান্ত বৰ্মনে কয় যে দাবী পূৰণ নোহোৱা পৰ্যন্ত তেওঁলোক ক্ষান্ত নহয়। ভাৰত চৰকাৰে কেএলঅ'ৰ অধ্যক্ষ জীৱন সিংহক শান্তি চুক্তিৰ বাবে মাতি আনি সাতবাৰকৈ আলোচনা সম্পন্ন কৰাৰ পিছতো বৰ্তমানলৈকে শান্তি চুক্তি স্বাক্ষৰ নকৰাটো দুৰ্ভাগ্যজনক ইয়াৰ বাবে কোচ ৰাজবংশী জনতা ক্ষোভিত হৈ পৰা বুলি উল্লেখ কৰে। শান্তি চুক্তিৰ জৰিয়তে কমতাপুৰ ৰাজ্য পুণৰ গঠন কৰিবই লাগিব বুলি মন্তব্য কৰি কমতাপুৰ ষ্টেট ডিমাণ্ড কাউঞ্চিলৰ মুখ্য সমন্বয়ক লক্ষীন্দ্ৰ ৰায়ে কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিৰ মৰ্যদা প্ৰদান কৰা আৰু কোচ-ৰাজবংশী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্তকৰণৰো দাবী জনাইছে। উল্লেখ্য যে আজিৰ কাৰ্যসূচীত কেবা সহস্ৰাধিক কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকে হাতে হাতে বেনাৰ-ফেষ্টুন, প্লে-কাৰ্ড লৈ প্ৰতিবাদী ৰেলীত অংশগ্ৰহণ কৰে। অনাগত দিনত ইয়াতকৈয়ো বিশাল কাৰ্যসূচী ল'ব বুলিও জনায়।

# শুৱালকুছিত মুৰাৰী আতাৰ তিৰোভাৱ তিথিৰ আয়োজন

**ই-সংবাদ, শুৱালকুছি, ৪ নৱেম্বৰঃ** মহাপুৰুষ মাধৱ দেৱৰ পৰম শিষ্য পঢ়ীয়া মাধৱ আতাৰ পুত্ৰ তথা শুৱালকুছিত সত্ৰ প্ৰতিষ্ঠাৰ অন্যতম কাণ্ডাৰী, শুৱালকুছিৰ প্ৰথমখন সত্ৰ শ্ৰী শ্ৰী সৰু সত্ৰৰ প্ৰতিষ্ঠাপক মুৰাৰী আতাৰ তিৰোভাৱ তিথি ভাগি অইন বেলিৰ দৰে এইবেলিও অহা ২০ আৰু ২১ আহিন ইং ৬ আৰু ৭ নৱেম্বৰ তাৰিখ বুধ আৰু বৃহস্পতিবাৰে দুদিনীয়াকৈ পালন কৰাৰ বাবে মানস কৰা হৈছে। ২০ আহিনত পুৱা সত্ৰ প্ৰাংগণ চাফাই কামেৰে আৰম্ভ হ'ব কাৰ্যসুচী, আবেলি সত্ৰ প্ৰাংগণত বন্তি প্ৰজ্বলন, ভাগৱত শোভযাত্ৰা, সেৱাৰ গীত, অভ্যৰ্থনাৰ লগতে নিশাৰ ভাগত প্ৰদৰ্শন কৰা হ'ব ডালিমী পাটোৱাৰী আৰু কুসুম দেৱীৰ নাগাৰ নাম। আনহাতে, ২১ কাতিত পুৱাৰ ভাগত প্ৰভাত বন্দনা, আইসকলৰ নাম প্ৰসংগ, বাপুসকলৰ নাম প্ৰসংগৰ লগতে অভ্যৰ্থনাৰ আয়োজন কৰা হৈছে। আবেলি শিৱসাগৰ নিবাসী ভাগৱতী বাপ প্ৰাণজিৎ গগৈৰ ভাগৱত পাঠ কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব বুলি মুৰাৰী আতা তিৰোভাৱ তিথি উদযাপন সমিতিৰ সভাপতি প্ৰদীপ মহন্ত আৰু সম্পাদক শশধৰ কলিতাই জানিবলৈ দিছে। এই অনুষ্ঠানত শুৱালকুছিবাসী ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে আয়োজকসকলে।

অসমীয়া ভাষাৰ কাণ্ডাৰী সকললৈ শ্ৰদ্ধাঞ্জলি, গীতে-মাতে জীপাল পৰিৱেশ, শতাধিকৰ অংশগ্ৰহণ

# চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সন্মিলন সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ৪ নৱেম্বৰঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা আহি সমবেত হোৱা কেইবা শতাধিক প্ৰাক্তন গুৰু-শিষ্যৰ সমাবেশেৰে দেওবাৰে চকলাঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সমাৰোহখনি দিনজোৰাকৈ অনুষ্ঠিত হয়। তদুপলক্ষে পুৱা বৃক্ষৰোপণ কৰে অশীতিপৰ প্ৰাক্তন গাঁও প্ৰধান মিলাৰাম বৰাই আৰু প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ইন্দ্ৰজিৎ বেজবৰুৱাই। লগতে বিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ প্ৰয়াত মহান ব্যক্তি, শিক্ষাগুৰু আৰু প্ৰাক্তন শিক্ষাৰ্থীসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰাক্তন ছাত্ৰ গোপাল বৰাই। তদুপৰি প্ৰতিষ্ঠাপক শিক্ষক প্ৰয়াত হলধৰ মুদৈৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধাঞ্জলি নিবেদন কৰে প্ৰাক্তন শিক্ষক ইন্দ্ৰ মোহন বৰাই, শ্বহীদ তৰ্পণ কৰে বিদ্যালয়ৰ অধ্যক্ষ ৰঞ্জন তামুলীয়ে আৰু বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি মনোৰঞ্জন বৰাই। ইফালে, অসমীয়া ভাষা সপ্তাহ উদযাপনৰ লগত সংগতি ৰাখি বিদ্যালয় পৰিয়ালে ৰাইজৰ সহযোগত আয়োজন কৰা ভাষা সপ্তাহৰ আৰম্ভণিৰ দিনটোত অসমীয়া ভাষাৰ কাণ্ডাৰীসকললৈ শ্ৰদ্ধা নিবেদন কৰে। পতাকা উত্তোলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোৰ আঁত ধৰে প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সধাৰণ সম্পাদক উৎপল হাজৰিকা আৰু বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষা দীপ্তি বৰাই। ইয়াৰ পিছতে, বিদ্যালয়ৰ কাৰ্যালয় প্ৰধান ৰঞ্জিত শইকীয়াৰ গুৰু বন্দনাৰে দুপৰীয়া অনুষ্ঠিত হোৱা গুৰু প্ৰণাম অনুষ্ঠানত বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষাগুৰু, বৰ্তমানৰ শিক্ষাগুৰুসকলৰ লগতে প্ৰয়াত শিক্ষাগুৰুসকলৰ পৰিয়ালবৰ্গক সম্বৰ্ধনা জনোৱা হয়। বিয়লি অনুষ্ঠিত হোৱা ন-পুৰণি শিক্ষাৰ্থী সন্মিলনত প্ৰাক্তন শিক্ষাৰ্থীসকলৰ গীতে-মাতে জীপাল হৈ পৰে বিদ্যালয়ৰ চৌহদ। প্ৰাক্তন শিক্ষাৰ্থীসকলৰ বিচিত্ৰা অনুষ্ঠানত কিৰণ দাস, তৰুণ শইকীয়া, দিপাংক শইকীয়া, ড০ ইন্দ্ৰজিৎ বেজবৰুৱা, পৰিণীতা শইকীয়া, জিতু শ্ৰাৱন, ৰঞ্জিত শইকীয়া, কানু কন্দলী, অঞ্জু শইকীয়া, শিখা মনি বৰা, উৎপল হাজৰিকা, প্ৰাঞ্জু বৰঠাকুৰ, কৃষ্টি কন্যা শইকীয়া আদিয়ে গীত পৰিবেশন কৰাৰ বিপৰীতে প্ৰাক্তন শিক্ষাৰ্থী সংগীতা হাজৰিকা, ভাৰপ্ৰাপ্ত উপাধ্যক্ষা দীপ্তি বৰা আৰু অধ্যক্ষ ৰঞ্জন তামুলীয়ে কবিতা আবৃত্তি কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। মনোগ্ৰাহী অনুষ্ঠানটো ভাৰত গোস্বামী, গগন শৰ্মা, ত্ৰৈলোক্য ভট্টাচাৰ্য, অতুল বৰা, পাৰুল মেধি, চাৰু বনিয়া, ভাস্কৰ ৰাজখোৱা, ভৱানন্দ বৰা, ৰেণু দাস, টিনা গোস্বামী, মায়াপঞ্চী ৰাজাকে ধৰি বহু সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতে দীপ্তি দেৱী শৰ্মা, তৰুলতা বৰা হাজৰিকা, দীপক দেৱ নাথ, চন্দন কটকী, বৰ্ণালী হাজৰিকা আদিয়ে বিদ্যালয়ৰ এৰি যোৱা সোণালী দিনবোৰ আৰু তদানীন্তন সময়ৰ শিক্ষাগুৰুসকলৰ কথা সোঁৱৰণ কৰি নষ্টালজিক হৈ পৰাৰ বিপৰীতে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল চন্দ্ৰ শইকীয়া, নিলাক্ষী শৰ্মাই অভিনয় কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

## ৰংঘৰ গ্ল'বেলত স্বাস্থ্য শিবিৰ সম্পন্ন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ৪ নৱেম্বৰঃ** বাইহাটা চাৰিআলি অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ সৌজন্যত কামৰূপ জিলাৰ বাইহাটা চাৰিআলিৰ অন্যতম ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠান ৰংঘৰ গ্ল'ৱেল একাডেমীৰ উদ্যোগত দেওবাৰে বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু ঔষধ বিতৰণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ৰংঘৰ গ্ল'বেল একাডেমি প্ৰাংগণত অনুষ্ঠিত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু ঔষধ বিতৰণ কাৰ্যসূচী মুকলি কৰে জ্যেষ্ঠ চিকিৎসক ডাঃ ডিম্বেশ্বৰ শৰ্মাই। বিনামূলীয়া স্বাস্থ্য শিবিৰত তিনি শতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষা আৰু ৰোগীসকলৰ মাজত বিনামূলীয়াভাৱে ঔষধ বিতৰণ কৰা হয়। অনাগত দিনত গ্ৰাম্যঞ্চলৰ বিভিন্ন প্ৰান্তত বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰি দৰিদ্ৰ ৰাইজক সেৱা কৰি যাব বুলি বাইহাটা চাৰিআলি অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ নেতৃত্বই অৱগত কৰে। বিনামূলীয়া স্বাস্থ্য শিবিৰিত ক্ৰমে, ডাঃ ডিম্বেশ্বৰ শৰ্মা, ডাঃ ৰঞ্জিত শৰ্মা, ডাঃ অৰুণ শৰ্মা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট চিকিৎসকে চিকিৎসা প্ৰদান কৰে। স্বাস্থ্য পৰীক্ষা শিবিৰটোত কেইবাগৰাকীও এএনএম, জিএনএম আৰু স্বাস্থ্য কৰ্মী উপস্থিত থাকে। বিনামূলীয়া স্বাস্থ্য শিবিৰটোৰ সামান্তৰালভাৱে এখনি সম্বৰ্ধনা সভাও অনুষ্ঠিত কৰা হয়। সভাত চিকিৎসক আৰু চিকিৎসা কৰ্মীসকলৰ লগতে আমন্ত্ৰিত অতিথিসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## লাহৰীঘাট সম-জিলা সাংবাদিক সন্থাৰ কাৰ্যালয় উদ্বোধন



**ই-সংবাদ, লাহৰীঘাট, ৪ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ নৱ গঠিত লাহৰীঘাট সমজিলাৰ প্ৰিণ্ট আৰু ইলেক্ট্ৰনিক মিডিয়াৰ সাংবাদিকসকলৰ উমৈহতীয়া সংগঠন লাহৰীঘাট সমজিলা সাংবাদিক সন্থাৰ এটি অস্থায়ী কাৰ্যালয় আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। এই উপলক্ষে লাহৰীঘাট সমজিলা সাংবাদিক সন্থাৰ সভাপতি আবুল কালামৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয়। সভাখনত উদ্বোধক ৰূপে উপস্থিত থকা লাহৰীঘাট সমজিলাৰ আয়ুক্ত প্ৰাঞ্জল বৰুৱাই আনুষ্ঠানিকভাৱে কাৰ্যালয়টো উদ্বোধন কৰে। উদ্বোধনী ভাষণত সমজিলা আয়ুক্ত বৰুৱাই বৰ্তমান সময়ত সাংবাদিকতাৰ ক্ষেত্ৰখনত দেখা দিয়া সমস্যা আৰু সাংবাদিকসকলৰ দায়িত্ব, কৰ্তব্যৰ দিশ সম্পৰ্কে একাধিক গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। একেদৰে সভাখনত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি লাহৰীঘাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মনিকা দাস ৰংহাং, মৈৰাবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰিয়াজুল হক, বৰথল দলৈগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কুদ্দুচ আলী, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক প্ৰদীপ চন্দ্ৰ ডেকাই সাংবাদিকসকলৰ সমস্যা তথা আন বিষয় সম্পৰ্কে ভাষণ প্ৰদান কৰে। সভাখনত সমজিলা সাংবাদিক সন্থাৰ উপদেষ্টাসকলৰ উপৰি লাহৰীঘাট, মৈৰাবাৰী, ভুৰাগাঁও আদি অঞ্চলৰ সংবাদ সেৱীসকল উপস্থিত থাকে। উদ্বোধনী সভাখন পৰিচালনাত আঁত ধৰে সমজিলা সাংবাদিক সন্থাৰ যুটীয়া সম্পাদক লম্বোধৰ বৰুৱা আৰু মোস্তাফাৰ জামানে।

# তামুলপুৰৰ নাগ্ৰীজুলিত গোৰ্খা ছাত্ৰ সন্থাৰ ভাতৃ দ্বিতীয়া উৎসৱ উদযাপন

**ই-সংবাদ, তামুলপুৰ, ৪ নৱেম্বৰঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলিৰ ভাওৰাগুৰি হিন্দী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা চমুকৈ আগছুৰ তামুলপুৰ জিলা সমিতিৰ উদ্যোগত পূব ডেফেলী-কুমাৰীকাটা আঞ্চলিক সমিতিৰ সহযোগত আৰু নাগ্ৰীজুলি আঞ্চলিক সমিতিৰ আতিথ্যত পৱিত্ৰ তিহাৰ উৎসৱ উপলক্ষে সামূহিক ভাতৃ দ্বিতীয়া উৎসৱ উদযাপন কৰা হয়।৫.০০ বজাত মঞ্চ মুকলি কৰাৰ পিছতে ৫.৩০ বজাত বন্তি প্ৰজ্বলন কৰে অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী পদম বাহাদুৰ চৌহানে। তাৰ পিছতে ৫.৪৫ বজাৰ পৰা প্ৰথম বাৰ্ষিক সামূহিক ভাতৃ দ্বিতীয়া উৎসৱৰ মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাৰ সভাপতিত্ব কৰে তামুলপুৰ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি প্ৰকাশ লামাই। গোৰ্খা ছাত্ৰ সন্থাৰ আমন্ত্ৰণ মৰ্মে সভাত মুখ্য অতিথি হিচাপে তামুলপুৰ জিলাৰ জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তী উপস্থিত থকাৰ লগতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে তামুলপুৰ প্ৰেছ ক্লাবৰ বিষয়ববীয়া, বিভিন্ন জাতীয় ছাত্ৰ সংগঠনৰ নেতৃবৃন্দ। উল্লেখ্য যে গোৰ্খালী লোকসকলে পালন কৰা তিহাৰ উৎসৱটিৰ অন্তিম পৰ্বটো হ'ল ভাই ফোঁট। শুক্ল পক্ষৰ দ্বিতীয়া তিথিত উৎসৱটিৰ এই পৰ্বটো বিশেষকৈ ভগ্নীসকললৈ উৎসৰ্গিত হয়। ইয়াত ভগ্নীয়ে ভাই ফোঁট পৰ্বৰ সকলো আয়োজনৰ গুৰি ধৰি এজন ভাতৃৰ বাবে জলপান, ভাতৰ পৰা আৰম্ভ কৰি পৰ্বটিত প্ৰয়োজন হোৱা সকলো বস্তু-সামগ্ৰী, উপহাৰ ইত্যাদি সামৰি লয়। এই ভাই ফোঁট পৰ্বত ভগ্নী বা বাইদেউয়ে ভাতৃ আৰু ককায়েকক কপালত ভিন্ন ৰঙী ফোঁট দি ভাই বা ককায়েকক দৈ পান কৰাই ভাই ফোঁট আৰম্ভ কৰে আৰু নাৰ্জি ফুলৰ মালা পিন্ধাই ভায়েক-ককায়েকৰ দীৰ্ঘায়ু তথা যশ-কৃতীৰ কামনা কৰে। এই পৰ্বটোত ভগ্নী বা বাউদেউৰ হাতৰ পৰা ফোঁট গ্ৰহণ কৰাৰ পিছত ভায়েক বা ককায়েকেও ভগ্নী বা বাইদেউক ফোঁট পিন্ধাই সুখী জীৱনৰ কামনা কৰে। এই প্ৰথা মতে কালি গোৰ্খা ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত সামূহিক ভাতৃ দ্বিতীয়া উৎসৱ উদযাপন মঞ্চত সভাৰ মাজতেই আমন্ত্ৰিত অৰ্ধ শতাধিক অতিথিক গোৰ্খা গাভৰু-মহিলাসকলে অতি আদাৰেৰে সামূহিকভাৱে গংগা জল ছটিয়াই ফোঁট পিন্ধাই, গোৰ্খা জনগোষ্ঠীৰ স্বাভিমান গোৰ্খা টুপী পিন্ধাই গোৰ্খাসকলৰ বিভিন্ন জাতীয় খাদ্য সম্ভাৰেৰে অতিথিসকলক আপ্যায়ন কৰে। গোৰ্খা ছাত্ৰ সন্থাৰ নেতা ৰাবিশংকৰ উপ্ৰেতিয়ে আঁত ধৰা সভাত গোপীনাথ বৰদলৈ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উপাধ্যক্ষ লোহিত উপ্ৰেতি, মাধৱ ছেত্ৰী, সমাজকৰ্মী ৰাম বাস্তলাকে কেইবাজনো বক্তাই ভাতৃ দ্বিতীয়া উদযাপনৰ তাৎপৰ্য ব্যাখ্যা কৰে।

## দীপ্লুৰঞ্জন শৰ্মা ভালকৈ জয়ী হব বুলি দাবী মন্ত্ৰী অতুল বৰাৰ

# বিজেপি-অগপ মিত্ৰজোঁটৰ চামগুৰিত তীব্ৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, পুৰণিগুদাম, ৪ নৱেম্বৰঃ** ২০০১ চনৰ পৰা অসম বিধানসভালৈ ৰকিবুল হুছেইনক চামগুৰিবাসী ৰাইজে নিৰ্বাচিত কৰিছিল। কিন্তু অসমৰ আন সমষ্টিৰ ইমান উন্নতি হোৱাৰ পিছতো চামগুৰি সমষ্টি উন্নয়ন নহ'ল। তেওঁৰ সদিচ্ছা থকা হ'লে চামগুৰি সমষ্টিৰ ৰাস্তা-ঘাট উন্নত হ'লহেঁতেন। ৰকিবুল হুছেইন বনমন্ত্ৰী হৈ থকা অৱস্থাত গঁড় হত্যা হৈছিল। কেন্দ্ৰ আৰু অসমত বিজেপি নেতৃত্বাধীন চৰকাৰ হোৱাৰ পিছত গঁড় হত্যা বন্ধ হৈছে। চামগুৰি সমষ্টিৰ যেনেদৰে উন্নয়ন হ'ব লাগিছিল সেয়া নহ'ল। মাত্ৰ ৰাইজক অত্যাচাৰ চলালে। গতিকে চামগুৰিবাসী ৰাইজে এইবাৰ উপ-নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক বিপুল ভোটত জয়যুক্ত কৰাব বুলি মোৰ বিশ্বাস।- এই মন্তব্য অসম গণ পৰিষদ দলৰ সভাপতি তথা কৃষি আদি বিভাগৰ মন্ত্ৰী অতুল বৰাৰ। নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ কাঠপাৰা বজাৰ ফিল্ডত আজি অসম গণ পৰিষদ আৰু ভাৰতীয় জনতা পাৰ্টিৰ এখন বিশাল নিৰ্বাচনী সভা অনুষ্ঠিত হয়। বিজেপি আৰু অগপ দলৰ উক্ত যৌথ বিশাল নিৰ্বাচনী সভাখনত অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, অসম গণ পৰিষদ দলৰ কাৰ্যকৰী সভাপতি তথা পৰিবহণ আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, অসম গণ পৰিষদৰ কেন্দ্ৰীয় উপ-সভাপতি ড০ জয়নাথ শৰ্মা, অগপ নেত্ৰী মামণি বৰা, বিজেপি নেতা সীমান্ত শেখৰ, অসম গণ পৰিষদৰ চামগুৰি বিধান পৰিষদৰ উপদেষ্টা মজিবুৰ ৰহমান, সভাপতি আবুবক্কৰ ছিদ্দিক, নগাঁও জিলাৰ সভাপতি মণিমাধৱ মহন্ত, বিজেপি নেতা সুৰেশ বৰা, নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিত নাথ, অগপ নেতা ফককৰুদ্দিন আহমেদ, গুৱাহাটী মেয়ৰ মৃগেন শৰণীয়া, চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি দলৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাকে ধৰি বহু কেইজন অসম গণ পৰিষদ আৰু বিজেপিৰ নেতা উপস্থিত থাকে। অসম গণ পৰিষদ দলৰ চামগুৰি বিধান পৰিষদৰ সভাপতি আবুবক্কৰ ছিদ্দিকে আঁত ধৰা বিশাল নিৰ্বাচনী সভাখনত অসম গণ পৰিষদ দলৰ সভাপতি তথা কৃষি মন্ত্ৰী অতুল বৰাই ভাষণ প্ৰসংগত কয় যে, কেন্দ্ৰতো বিজেপি চৰকাৰ, ৰাজ্যতো বিজেপি আৰু অসম গণ পৰিষদ দলৰ মিত্ৰজোঁটৰ চৰকাৰ। গতিকে চামগুৰি উন্নয়নৰ স্বাৰ্থত হ'ব লগা উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাক চামগুৰিবাসী ৰাইজে বিপুল ভোটত জয় কৰাব লাগিব। তেতিয়া চামগুৰিবাসী ৰাইজে বিচৰাতকৈ বেছি উন্নয়ন হ'ব। উক্ত বিশাল নিৰ্বাচনীখনত অসম গণ পৰিষদ দলৰ কাৰ্যকৰী সভাপতি তথা মন্ত্ৰী কেশৱ মহন্তই ভাষণ প্ৰসংগত কয় যে, চামগুৰিবাসী ৰাইজে সঠিক সিদ্ধান্ত লোৱাৰ সময় আহি পৰিছে। এই সঠিক সিদ্ধান্তই চামগুৰিৰ উন্নয়নৰ দিশ জড়িত হৈ আছে। উক্ত বিশাল নিৰ্বচনী সভা দুখনত চামগুৰি সমষ্টিৰ উপ-নিৰ্বাচনৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত কয় যে, এইকেইদিন চামগুৰিত মোৰ কেইটামান অভিজ্ঞতা হৈছে। চামগুৰিত মোৰ এহেজাৰ জন মান ভাইটি পাইছো। আজি চামগুৰিত পৰিৱৰ্তনৰ ধুমুহা বলিছে। মই ৰজাৰ ঘৰৰ পৰা অহা নাই। সাধাৰণ ঘৰৰ পৰা আহিছো, ৰাইজৰ হ'কে কাম কৰিবলৈ। ভয়-ভাবুকিৰ ৰাজনীতি কৰিবলৈ অহা নাই। এটা ভাল মনলৈ আহিছো ৰাইজৰ সেৱা কৰিবলৈ। মই নিৰ্বাচনত জয়ী হ'লে ৰাস্তা-ঘাট আৰু স্বাস্থ্যখণ্ড উন্নতিৰ হ'কে কাম কৰিম। আমি হিংসা কেতিয়াও নিবিচাৰো। সদায় শান্তি আৰু সমৃদ্ধিশালী চামগুৰি বিচাৰো। আপোনালোকে মোক যেনেকৈ এশ শতাংশ মৰম দিছে মই নিৰ্বাচনত জয় হ'লে আপোনালোকক এশ এক শতাংশ মৰম দিম। ছাত্ৰ-ছাত্ৰীসকলে উচ্চশিক্ষা গ্ৰহণ কৰিবৰ কাৰণে যি প্ৰতিযোগিতামূলক পৰীক্ষা হয় সেই পৰীক্ষাত উত্তীৰ্ণ হ'বৰ কাৰণে চামগুৰিত সমষ্টিত চাৰিটা প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে।

# ছিপাঝাৰৰ কিৰিংবৰীত তিহাৰ সন্মিলনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, ছিপাঝাৰ, ৪ নবেম্বৰঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত খলিহৈৰ কিৰিংবৰীত, 'কিৰিংবৰী শাৰদা ভাই ভাই জ্যোতি সংঘ'ৰ উদ্যোগত অহা ৭ নবেম্বৰত গোৰ্খাসকলৰ পৱিত্ৰ উৎসৱ তিহাৰৰ লগত সংগতি ৰাখি ২৪ সংখ্যক তিহাৰ সন্মিলনৰ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। উল্লেখ্য যে, নেপালীভাষী গোৰ্খা জনগোষ্ঠীয়ে ৫ দিনীয়াকৈ তিহাৰ উৎসৱ পালন কৰে। উৎসৱটিত কাক তিহাৰ, কুকুৰ তিহাৰ, গাই তিহাৰ, গৰু তিহাৰ আৰু অন্তিম দিনা ভাই তিহাৰ পালন কৰা হয়। সেই উপলক্ষে , ঘৰত লক্ষ্মী পুজাৰ লগতে ঘৰে ঘৰে গৈ পুৰুষ মহিলাই দেউচী আৰু ভইলী গীত গাই গৃহস্থৰ কুশল মঙ্গল কামনা কৰে। কৃষ্টি-সংস্কৃতিত চহকী গোৰ্খা জনগোষ্ঠীৰ তিহাৰ উৎসৱৰ লগত সংগতি ৰাখি বিগত বছৰৰ দৰে এইবেলিও তিহাৰ সন্মিলনৰ প্ৰস্তুতি চলিছে কিৰিংবৰীত। কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণৰ পিছতে ক্ৰমে খেল-ধেমালি, সাহিত্য প্ৰতিযোগিতা আৰু গোৰ্খা দৰা-কইনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া খলিহৈ আঞ্চলিক হাইস্কুলৰ সহঃশিক্ষক টংক ভট্টৰায়ে সভাপতিত্ব আৰু অৱসৰী অধ্যক্ষ বল বাহাদুৰ ছেত্ৰীয়ে উদ্বোধন কৰিবলগীয়া মুকলি সভাত স্থানীয় বিধায়ক ড° পৰামানন্দ ৰাজবংশী, গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাং, সম জিলা আয়ুক্ত গোপাল শৰ্মা, অসম গোৰ্খা সন্মিলনৰ সভাপতি কৃষ্ণ ভুজেল, সাধাৰণ সম্পাদক ৰাজু ঢকাল, অধ্যাপক ড° ললিত শ্ৰেষ্ঠ প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। আনহাতে সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব বিশিষ্ট লোক-কৃষ্টি সাধক কলাশ্ৰী বিনোদ খনালে। অনুষ্ঠানটিত কণ্ঠ শিল্পী সুমন চুনাৰ আৰু লক্ষ্মী নেৱাৰৰ গীতৰ শৰাই থাকিব। সমূহ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদ্যোক্তা সমিতিৰ হৈ কিৰিংবৰী শাৰদা জ্যোতি সংঘৰ সভাপতি জ্যোতি প্ৰসাদ ভট্টৰায়ে।

# আগমনিত জুৱাৰ নামত আনন্দমেলা বন্ধৰ দাবী

**ই-সংবাদ, গোলকগঞ্জ, ৪ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত ঝাপুচাবাৰী পঞ্চম খণ্ড গাঁৱৰ আমতলা বজাৰত আনন্দ মেলাৰ নামত চলি থকা অবৈধ জুৱা বন্ধৰ দাবীত আজি স্থানীয় ৰাইজে গোলকগঞ্জ সমজিলা আয়ুক্তক এখন অভিযোগ প্ৰদান কৰে। অভিযোগ মতে, কালিৰে পৰা বজাৰখনত আনন্দমেলা আৰম্ভ হৈছে। মেলাৰ নামত মুকলিভাৱে অবৈধ জুৱা খেলৰ লগতে সস্তীয়া নৃত্য প্ৰদৰ্শন কৰা হয়। ফলত অঞ্চলটোৰ সামাজিক পৰিৱেশ বিঘ্নিত হোৱাৰ আশংকা কৰিছে স্থানীয় ৰাইজে। উল্লেখ্য যে বজাৰখনত এনেও পূৰ্বৰে পৰা চলি আহিছে অবৈধ তীৰ খেল। ইয়াৰ কবলত পৰি বহু লোক ইতিমধ্যে সৰ্বস্বান্ত হৈছে। ফলত বৃদ্ধি পাইছে চুৰি ,পাৰিবাৰিক কন্দল জাতীয় অসামাজিক কাৰ্য। কাষতে থকা ৪০ নম্বৰ বেপাৰীটাৰী অংগনবাড়ী কেন্দ্ৰত দুবাৰকৈ চুৰি কাৰ্য সংঘটিত হয়। পূৰ্বৰে পৰা চলি থকা তীৰ খেলৰ লগতে শেহতীয়াকৈ ভূতৰ ওপৰত দানৰ পৰাদি আৰম্ভ হৈছে আনন্দমেলা। জুৱাৰ নামত চলি থকা আনন্দমেলা অতি শীঘ্ৰে বন্ধ কৰাৰ দাবী জনাই আজি সমজিলা আয়ুক্তক অভিযোগ পত্ৰ প্ৰদান কৰে।



ৰাইজৰ মাজত কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন, ফটো সোমবাৰৰ



২৬ৰ প্ৰস্তুতিত ব্যস্ত বিধায়ক অখিল গগৈ! হাটশিঙিমাৰীত সোমবাৰে

## বিভিন্ন দাবীত ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ

# কমতাপুৰ পুনঃ গঠনৰ দাবীত কেএছডিচিৰ প্ৰতিবাদ

**ই-সংবাদ, গোলকগঞ্জ, ৪ নৱেম্বৰঃ** কামতাপুৰ লিবাৰেচন অৰ্গানাইজেচন চমুকৈ কেএলঅ'ৰ লগত শান্তিপূৰ্ণ আলোচনাৰ জৰিয়তে কোচ ৰাজবংশী জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া দাবী কামতাপুৰ ৰাজ্য পুনঃগঠন, কোচ ৰাজবংশী জনগোষ্ঠীক অনুসূচিত ভৈয়াম জনজাতিৰ মৰ্যাদা আৰু কামতাপুৰী ভাষাক ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচিত অন্তৰ্ভুক্তিকৰণৰ দাবীত আজি কামতাপুৰ ষ্টেট ডিমাণ্ড কাউন্সিল (কেএছডিচি)ৰ উদ্যোগত ধুবুৰী জিলা আয়ুক্তৰ জৰিয়তে দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰেৰণ কৰা হয়। স্মাৰকপত্ৰ প্ৰেৰণৰ পূৰ্বে কেএছডিচিৰ দুই শতাধিক নেতা-কৰ্মী ধুবুৰীৰ গৌৰীপুৰ খেলপথাৰত একত্ৰিত হয়। হাতে হাতে ফ্লেগ, ফেষ্টুন, প্লে কাৰ্ড লৈ কেএলঅ'ৰে শান্তি চুক্তি ৰূপায়ণ কৰক, কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণ কৰক, কোচ ৰাজবংশী ভাষাক অষ্টম অনুসূচিত অন্তৰ্ভুক্ত কৰক, কামতাপুৰ পুনঃগঠন কৰক আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰে। পিছত সমদল কৰি ধুবুৰী আয়ুক্ত কাৰ্যালয় লৈ গৈ জিলা আয়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে শান্তি আলোচনাৰ উদ্দেশ্যে কেএলঅ'ৰ অধ্যক্ষ জীৱন সিংহ আৰু কেএলঅ'(কেএন)ৰ অধ্যক্ষ ডিএল কোচক কেন্দ্ৰীয় চৰকাৰে মাতি আনিছিল। কেএছডিচিয়ে কেএলঅ'ৰ দুয়োগৰাকী অধ্যক্ষৰ সৈতে শান্তি আলোচনাৰ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰাৰ বাবে আজি স্মাৰকপত্ৰ যোগে দাবী জনায়।

# কমলপুৰত মহিলাৰ দিহানাম প্ৰতিযোগিতা সম্পন্ন

**কমলপুৰ, ৪ নৱেম্বৰঃ** ভাৰতৰত্ন, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ প্ৰয়াণ দিনৰ লগত সংগতি ৰাখি কালি কামৰূপ জিলাৰ কমলপুৰৰ দ্বিগুণপাৰাৰ পখিয়াচুবা যুৱ সমাজৰ উদ্যোগত আৰু শ্ৰীশ্ৰীকৃষ্ণ নামঘৰ(মন্দিৰ)ৰ সহযোগত এখনি মহিলাৰ দিহানাম প্ৰতিযোগিতা সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি পুৱা ৮.৩০ বজাত স্বচ্ছ অভিযান মুকলি কৰে প্ৰাক্তন সেনা ত্ৰৈলোক্য কাকতিয়ে। ইয়াৰ পিছত যুৱ সমাজৰ পতাকা উত্তোলন কৰে সভাপতি অমূল্য কাকতি আৰু শ্ৰীশ্ৰীকৃষ্ণ নামঘৰ(মন্দিৰ)ৰ সভাপতি কপিল কাকতিয়ে।স্মৃতি-তৰ্পণ কৰে পুঠিমাৰী মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক জগদীশ কুমাৰ ভৰালীয়ে। দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰে এমট্ৰ'নৰ উপ-প্ৰবন্ধক তথা সাংস্কৃতিক সংবাদপত্ৰ 'দাপোণ'ৰ মুখ্য সম্পাদক দিনমণি ভাগুৱা কায়স্থই। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে কামৰূপ জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক তাৰিণী চৰণ কলিতা। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত অংশ লৈ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ সদস্য তথা সাংবাদিক দীপক শৰ্মাই কয়- "একাংশ মানুহৰ মন-মগজুবোৰ বৰ্তমান ঠুনকা হৈ পৰিছে। আধ্যাত্মিক অনুষ্ঠানবোৰে সকলোৰে অন্তৰত সম্ভাৰ জাগ্ৰত কৰে। পখিয়াচুবাৰ যুৱ সমাজৰ নতুন প্ৰজন্মৰ প্ৰতি কৰা চিন্তাই এদিন সকলোৰে বাবে পাথেয় হৈ ৰ'ব।" সভাত ভাষণ দি বিশিষ্ট শিল্পী তথা দিহানামৰ প্ৰশিক্ষক বাণী পাঠকে কয় যে আমি শুদ্ধ ৰূপত যিকোনো বিষয় পৰিৱেশন কৰিব লাগে। অৱসৰপ্ৰাপ্ত শিক্ষক, সাংবাদিক প্ৰদীপ কুমাৰ ভৰালীয়ে আঁত ধৰা সভাত উপস্থিত থাকি বঁটা প্ৰদান কৰে কটন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী অমৃত দাস, কমলপুৰ জ্যোতি সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক গণিৰুদ্দিন আহমেদ, যুৱ সমাজকৰ্মী অতুল ব্ৰহ্ম কাকতিয়ে।

# ‘নৱোদয় পুথিভঁৰাল কলগাছিয়া’ত চিত্ৰাংকন প্ৰতিযোগিতা

**ই-সংবাদ, কলগাছিয়া, ৪ নৱেম্বৰঃ** অসম চৰকাৰে তিনি নৱেম্বৰৰ পৰা ৰাজ্যব্যাপী অসমীয়া ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰিছে। সেইদৰে দেওবাৰে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ আনন্দত কলগাছিয়াৰ অগ্ৰণী স্বেচ্ছাসেৱী সংস্থা নৱোদয় পুথিভঁৰাল প্ৰাংগণত স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজনৰ মাজেৰে অসমীয়া ভাষা বিকাশৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰে। অসমীয়া ভাষা বিকাশৰ লক্ষ্যৰে প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীৰ মাজত তিনিটা গ্ৰুপত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। পুৱা দহ বজাৰ পৰা আৰম্ভ হোৱা অনুষ্ঠানটোত নৱজ্যোতি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডঃ শ্বাহজামাল শ্বেইখ আৰু বিশিষ্ট চিকিৎসক ডাঃ নাজিৰুল ইছলামে শুভ উদ্বোধন কৰে। লগতে মাণিকপুৰ আঞ্চলিক মহাবিদ্যালয়ৰ অধ্যাপক বাহাদুৰ আলী আহমেদ, মকবুল ফিদা ফাইন আৰ্টছ একাডেমীৰ শিক্ষক তথা বিশিষ্ট শিল্পী মহিদুল ইছলাম আৰু ৰবিউল হুছেইনে চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠানটো পৰিচালনা কৰে। বিয়লি ১ বজাত নৱোদয় পুথিভঁৰালৰ সভাপতি তথা বৰপেটা অসামৰিক চিকিৎসালয়ৰ অধ্যক্ষ ডাঃ নাজিৰুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাত বিজয়ী ঘোষণা কৰা তিনিটা গ্ৰুপৰ মুঠ পোন্ধৰ জন প্ৰতিযোগীক এখনকৈ গ্ৰন্থ, প্ৰমাণ পত্ৰ, কলম আদিৰে ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়। সভাপতি ডাঃ নাজিৰুল ইছলামে অনুষ্ঠানটোত কণ কণ ছাত্ৰ-ছাত্ৰীৰ অপূৰ্ব চিত্ৰ কলা দেখি অভিভূত হৈ পৰে আৰু তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে। তেওঁ ভাষণত কয় যে, অসম চৰকাৰে তিনি নৱেম্বৰৰ পৰা অসমীয়া ভাষা গৌৰৱ সপ্তাহ উদযাপন কৰি আছে। আমি বৃহত্তৰ কলগাছিয়া অঞ্চলৰ ৰাইজ উৎফুল্লিত। সেয়ে অসমীয়া ভাষা আৰু অধিক বিকাশ লাভ কৰক সেই আশাৰে আমি চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছো। নিশ্চয়ই অসমীয়া ভাষাই এদিন বিশ্ব জয় কৰিব। অনুষ্ঠানটোত পুথিভঁৰালৰ সম্পাদক ইয়ামিনুৰ ৰশিদ খান, অধ্যাপক হুৰমুজ আলী, কবি আব্দুল মাজেদ, বিশিষ্ট সমাজ সেৱক ফাৰুক খান আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকি ভাষণ প্ৰদান কৰে।



প্ৰাৰ্থী পুত্ৰক লগত লৈ হাঁহি হাঁহি প্ৰচাৰ সাংসদ ৰকিবুল হুছেইনৰ

# পানীখাইতিৰ লুইতৰ পাৰত স্মৃতি ৰোমন্থন প্ৰাক্তন গৰ্ডনিয়ানৰ

**ই-সংবাদ, গুৱাহাটী, ৪ নৱেম্বৰঃ** প্ৰায় দুকুৰি দুবছৰৰ অন্তত গুৱাহাটীৰ পানীখাইতিৰ ব্ৰহ্মপুত্ৰৰ নৈসৰ্গিক শোভাৰ মাজত দেওবাৰে পুনৰ মিলিত হ'ল নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এসময়ৰ অৰ্ধ শতাধিক সহপাঠী। তিনি কুৰিৰ দেওনা স্পৰ্শ কৰিবলগীয়া এইসকল প্ৰাক্তন গৰ্ডনিয়ানৰ মিলন সমাৰোহত অসমৰ বিভিন্ন প্ৰান্তত কৰ্মৰত সকলো আহি আৱেগিক হৈ পৰে। পানীখাইতিস্থিত অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী বাহিনীৰ কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ প্ৰাংগণত দিনজোৱা কাৰ্যসূচীৰে ১৯৮২ বৰ্ষৰ গৰ্ডনিয়ানসকলৰ পুনৰ মিলন অনুষ্ঠানত ইজনে সিজনক প্ৰত্যক্ষ কৰি নষ্টালজিক হৈ পৰে। সমাৰোহত প্ৰতিগৰাকী সহপাঠীয়ে ৰোমন্থন কৰিলে চল্লিছটা বৰ্ষৰ পূৰ্বৰ স্মৃতি। নিজৰ যাঠিটা বসন্তৰ বৃদ্ধাৱস্থা পাহৰি বিভিন্নজনে নাচ-গান-কবিতা আবৃত্তিৰে মুখৰিত কৰি তোলে লুইতৰ চাপৰিৰ পাৰ। বন্ধুত্বৰ আহ্বান নেওচিব নোৱাৰি কাৰ্বি আংলঙৰ হাওৰাঘাটৰ ইংৰাজীৰ বিষয় শিক্ষক ভূপেন্দ্ৰ শৰ্মা মাত্ৰ এঘণ্টাৰ বাবে হ'লেও আহি অংশ ল'লে প্ৰাক্তন গৰ্ডনিয়ানৰ সমাৰোহত। কোকৰাঝাৰস্থি বি টি আৰৰ ৰেচম সঞ্চালক অঞ্জন কুমাৰ চক্ৰৱৰ্তী, বঙাইগাঁওস্থিত ধুবুৰী জলসিঞ্চন চক্ৰৰ কাৰ্যবাহী অভিযন্তা কমল কুমাৰ শৰ্মা, বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ অধ্যাপক ৰত্নকিংকৰ গোস্বামীও আহি ৰোমন্থন কৰিলে গৰ্ডনত অতিবাহিত কৰা স্মৃতি। নাৰেংগীৰ সেনা ছাউনীত কৰ্মৰত মনোজ বুজৰ বৰুৱাৰ বিশেষ উদ্যোগ আৰু কেন্দ্ৰীয় প্ৰশিক্ষণ প্ৰতিষ্ঠানখনৰ অধ্যক্ষ তপন বৰ্মনৰ বদান্যতাত অনুষ্ঠিত এই মিলন সমাৰোহ আৱেগিক কৰি তোলে অৰুণ জ্যোতি শৰ্মা আৰু কমল শৰ্মাৰ স্বৰচিত কবিতা আবৃত্তি আৰু ৰত্নকিংকৰ গোস্বামীৰ হিন্দী গীতে। নলবাৰীৰপৰা অহা যোগাচাৰ্য স্বামী বৰুণ আনন্দই মানৱ জীৱনশৈলীৰ সম্পৰ্কত বৌদ্ধিক প্ৰদান কৰি সকলোকে মাৰ্গ দৰ্শন কৰে। অতি ব্যস্ততাৰ মাজতো নলবাৰীৰপৰা আহি অংশ গ্ৰহণ কৰে দিগন্ত বৰ্মন, ভূপানন্দ ৰায় বৰুৱা, অজয় শৰ্মা, জগদীশ দত্ত, ফণীন্দ্ৰ হালৈ, বংকিম শৰ্মা, কালিন্দ্ৰ দাস, অতুল শৰ্মা, হেমন্ত কলিতা, মৃদুল কুমাৰ শৰ্মা, আৰিফুদ্দিন আহমেদ, মনোজ তালুকদাৰ, ঘনশ্যাম ভৰালী আদিয়ে। গুৱাহাটী মহাবিদ্যালয়ৰ ইংৰাজীৰ মুৰব্বী অধ্যাপক দিব্যৰঞ্জন খাটনিয়াৰ, ভাৰত সঞ্চাৰ নিগম লিমিটেডৰ অভিযন্তা মৃণ্ময় ভুঞা, অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ যুটীয়া সচিব ৰঞ্জন কুমাৰ দাস, কণক ডেকা, ৰাণা শৰ্মা আদিয়েও দুকুৰি বছৰৰ বন্ধুত্বৰ সান্নিধ্য বিচাৰি গুৱাহাটীৰ বিভিন্ন স্থানৰপৰা পানীখাইতিৰ মিলন সমাৰোহলৈ ঢাপলি মেলি আহে।

# ভাগৱতীপাৰত পথ দুৰ্ঘটনা, আহত ২

**ই-সংবাদ, মিৰ্জা, ৪ নৱেম্বৰঃ** ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত ভাগৱতীপাৰাত যোৱানিশা এক পথ দুৰ্ঘটনা সংঘটিত হয়। গোৱালপাৰা দিশৰ পৰা গুৱাহাটী অভিমুখী এ এছ-০১ পিচি-১৯৮১ নম্বৰৰ দ্ৰুতবেগী ট্ৰাক এখনে এখন  য়ামাহা এম টি বাইক এখনক খুন্দা মৰাৰ ফলত বাইকৰ পৰা চিটিকি পৰে বাইকখনত থকা দুই বাইক আৰোহী। ইফালে, বাইকখনক খুন্দিয়াই পিছ মুহূৰ্ততে ট্ৰাক চালকজনে ট্ৰাকখন লৈ পলায়নৰ চেষ্টা চলায়। কিন্তু ট্ৰাকখনৰ পিছে পিছে যোৱা কেবাজনো বাইক আৰোহীয়ে বিজয়নগৰ আৰক্ষীৰ সহায়ত বিজয়নগৰত ট্ৰাকসহ চালকজনক ধৰিবলৈ সক্ষম হয়। ইফালে, দুৰ্ঘটনাটো সংঘটিত হোৱা স্থানত বহু লোক গোট খায়। ততাতৈয়াকৈ আহত যুৱক দুজনক ই-ৰিক্সাত বহুৱাই চিকিৎসালয়লৈ প্ৰেৰণ কৰিবলৈ লোৱা হয় যদিও সেই সময়তে সচেতন লোকৰ খবৰৰ ভিত্তিত ঘটনাস্থলীত উপস্থিত হয় এম্বুলেন্স। পিছত এম্বুলেন্সৰ সহায়ত দুয়োজন বাইক আৰোহীক ৰামপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰোৱা হয়। পিছত আঘাতপ্ৰাপ্ত এজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়।

# বাক্সাত দুই চোৰাং ব্যৱসায়ীক গ্ৰেপ্তাৰ

**ই-সংবাদ, মুছলপুৰ, ৪ নৱেম্বৰঃ** বাক্সা জিলাৰ মুছলপুৰত বনৰীয়া জন্তুৰ অংগ-পত্যংগৰ চোৰাং ব্যৱসায়ৰ সৈতে জড়িত দুই চোৰাং ব্যৱসায়ীক কালি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ঘটনাৰ বিৱৰণী অনুসৰি জিলাখনৰ মুছলপুৰ সদৰ আৰক্ষীয়ে নাৰায়ণপুৰত কালি সন্ধিয়া পথত তালাচী চলাই থকা সময়তে বন্য জন্তুৰ চাৰিটা দাঁত কোনো অজ্ঞাত ব্যক্তিৰ ওচৰলৈ বিক্ৰী কৰিবলৈ নি থকা অৱস্থাত কৰায়ত্ত হয় চোৰাং ব্যৱসায়ী দুজন। গ্ৰেপ্তাৰ কৰা চোৰাং ব্যৱসায়ী দুজন হৈছে ক্ৰমে ভুটানখুঁটিৰ ফিলিমন কুজুৰ (১৮) আৰু মধুপুৰৰ বিমল কিষাণ(২৯)। জানিব পৰামতে, ধৃত দুই চোৰাং ব্যৱসায়ীয়ে দুই বছৰ আগৰ পৰাই দাঁতকেইটা লগত ৰখাৰ লগতে এক লাখ টকাত বন্দোবস্ত কৰি বিক্ৰী কৰিবলৈ আনিছিল। ধৃত লোকদুজনক আজি বন বিভাগক চমজাই দিয়ে মুছলপুৰ আৰক্ষীয়ে। অৱশ্যে দাঁতকেইটা কি জন্তুৰ এতিয়ালৈ চিনাক্ত কৰিবলৈ সক্ষম হোৱা নাই।

# ডিব্ৰুগড়ত কৃত্ৰিম বানপানীক লৈ সুপৰিকল্পিত ব্যৱস্থা গ্ৰহণৰ পোষকতা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ

**ই-সংবাদ, ডিব্ৰুগড়, ৪ নৱেম্বৰঃ** কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিব্ৰুগড়ত ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ (ডিডিএ) দ্বাৰা ডিব্ৰুগড়ৰ চূড়ান্ত মাষ্টাৰ প্লেন-ভিজন ২০৪৫ সন্দৰ্ভত আয়োজিত বৈঠকত অংশগ্ৰহণ কৰে। এই মাষ্টাৰ প্লেনত চহৰখনৰ দ্ৰুত বিকাশ আৰু প্ৰগতিৰ সমান্তৰালকৈ বিভিন্ন প্ৰত্যাহ্বানৰ মোকাবিলাৰো পৰিকল্পনা কৰা হৈছে আৰু নাগৰিকৰ উন্নত জীৱন ধাৰণৰ মান নিশ্চিত কৰাৰ লগতে বহনক্ষম বিকাশ নিশ্চিত কৰাৰ বাবে অত্যাধুনিক সমাধানৰ বিষয় সামৰি লোৱা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে আধুনিক চহৰ এখন সজাবলৈ আমি সদায় নতুন নতুন ধ্যান-ধাৰণাৰে আগবাঢ়ি যাব লাগে। ডিব্ৰুগড় চহৰক একবিংশ শতিকাৰ উন্নত চহৰৰ শাৰীলৈ উন্নীত কৰিবলৈ আমাৰ বহুতো কৰণীয় আছে। ডিব্ৰুগড় এখন ঐতিহাসিক চহৰ। ইয়াৰ ইতিহাস ১৫০ বছৰৰো অধিক পুৰণি। ইয়াৰ এক দীঘলীয়া সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক ইতিহাস আছে। ক্ৰীড়া, সাংবাদিকতা, সাহিত্য-সংস্কৃতি, শিক্ষা, চিকিৎসা, যাতায়াত যোগাযোগৰ ক্ষেত্ৰত ডিব্ৰুগড়ৰ বিশেষ সুনাম আছে। সেয়ে চহৰখনৰ আন্তঃগাঁথনি সুদৃঢ় কৰাৰ লগতে বিভিন্ন সা-সমস্যা সমাধানত আমি বিশেষ গুৰুত্ব আৰোপ কৰি আহিছো। চহৰখনক খহনীয়াৰ গ্ৰাসৰ পৰা সুৰক্ষিত কৰিবলৈ নিৰন্তৰ প্ৰচেষ্টা গ্ৰহণ কৰি অহা হৈছে। চহৰখনক আকৌ নতুন ৰূপত সজাই তুলিবলৈ আমি বদ্ধপৰিকৰ। এইক্ষেত্ৰত ডিব্ৰুগড় পৌৰ নিগমৰ যথেষ্ট দায়িত্ব আছে। পৌৰ নিগমে জনপ্ৰতিনিধি আৰু চুবুৰীয়া গাঁও পঞ্চায়তৰ লগত লগ লাগি কামবোৰ আগুৱাই নিব লাগিব। ইংৰাজৰ শাসনকালত চহৰখন বেপাৰ-বাণিজ্য, নদীপথ আদি বিভিন্ন দিশত যথেষ্ট আগবঢ়া আছিল। স্বাধীনোত্তৰ কালত পূৰ্বৰ চৰকাৰৰ সদিচ্ছা আৰু অৱহেলাৰ বাবে ডিব্ৰুগড়ৰ গৰিমা ম্লান পৰিছিল যদিও বিজেপি চৰকাৰৰ দিনত ডিব্ৰুগড় ন-ৰূপত উজ্জীৱিত হৈছে। নদীপথৰ পুনৰুজ্জীৱিতকৰণে ডিব্ৰুগড়ৰ মান অধিক বৃদ্ধি কৰিছে, ঔদ্যোগীকৰণ বৃদ্ধি হৈছে, যাতায়াত-যোগাযোগ উন্নত হৈছে আৰু সকলো দিশতে উন্নয়ন সম্ভৱ হৈছে। ডিব্ৰুগড়ৰ বিকাশৰ এই অনিৰুদ্ধ যাত্ৰাক ডিব্ৰুগড়ৰ চূড়ান্ত মাষ্টাৰ প্লেনৰ বৈঠকত সোণোৱালে কয় যে ডিব্ৰুগড়ক এক নতুন গতি দিয়া হ'ব। ২০৪৫ চনৰ ভিতৰত ডিব্ৰুগড় চহৰখনক অত্যাধুনিক ৰূপ দিবলৈ ডিব্ৰুগড় মাষ্টাৰ প্লেনৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই আলোচনাত ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ বিষয়ববীয়াসকলৰ লগতে জনপ্ৰতিনিধি, পঞ্চায়ত প্ৰতিনিধি, পৌৰ নিগমৰ বিষয়ববীয়াসকল, খণ্ড উন্নয়ন বিষয়াসকলৰ সন্মিলিত উপস্থিতিত ডিব্ৰুগড় চহৰৰ ভৱিষ্যতৰ দিশবোৰৰ ক্ষেত্ৰত আলোকপাত কৰা হয়। বিশেষকৈ চহৰখনক কৃত্ৰিম বানপানীৰ সমস্যাৰ পৰা মুক্ত কৰিবলৈ বিশেষ জোৰ দিয়া হৈছে। চহৰৰ আৱদ্ধ পানীক সময়সীমাবদ্ধভাৱে নিষ্কাষণ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছে। এখন প্ৰদূষণমুক্ত সেউজ ডিব্ৰুগড় গঢ়াতো বিশেষ গুৰুত্ব দিয়া হৈছে। চহৰৰ আৱৰ্জনাক বিজ্ঞানসন্মতভাৱে নিষ্কাষণ কৰি আৱৰ্জনাৰ পৰা সম্পদৰ ধাৰণাক বাস্তৱায়িত কৰাতো আমি গুৰুত্ব দিছো। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষতে এই ধ্যান-ধাৰণাসমূহ ৰূপায়ণ কৰা হৈ আছে। ডিব্ৰুগড় চহৰৰ ভৱিষ্যতৰ পৰিসৰ প্ৰায় ৩৯১ বৰ্গ কিলোমিটাৰ হোৱাৰ সম্ভাৱনা আছে। সেয়ে ডিব্ৰুগড়ক দেশৰ ভিতৰতে এখন আটকধুনীয়া চহৰ হিচাপে গঢ়ি তোলাৰ আমি দৃঢ় লক্ষ্য লৈছো বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয়। এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ চৈকত পাত্ৰ, উপ-মেয়ৰ উজ্জ্বল ফুকন, জিলা আয়ুক্ত বিক্ৰম কৈৰী, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### ২২, ২৩ আৰু ২৪ নৱেম্বৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী

# নেহৰু আঞ্চলিক হাইস্কুলৰ সোণালী জয়ন্তী

**ই-সংবাদ, বৰমা, ৪ নৱেম্বৰঃ** বাক্সা জিলাৰ অন্তৰ্গত নেহৰু আঞ্চলিক হাইস্কুল দেৰচাৰা - থানগুৰিত অহা ২২, ২৩ আৰু ২৪ নৱেম্বৰত তিনিদিনীয়া কাৰ্যসূচীৰে সোণালী জয়ন্তী উৎযাপন কৰিবলৈ প্ৰস্তুতি কৰিছে। ইতিমধ্যে ৬২ নং বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন বড়োক সভাপতি, ধনবৰ ৰাভাক কাৰ্যকৰী সভাপতি, চুবেনজিৎ ৰামছিয়াৰীক সাধাৰণ সম্পাদক, তিলক চন্দ্ৰ হালৈ আৰু অজিত ডেকাক সম্পাদক হিচাপে লৈ এখন শক্তিশালী উৎযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি অহা ২২ নৱেম্বৰত পুৱা ৯ বজাৰ পৰা ক্ৰমে মুখ্যদ্বাৰ উদঘাটন, ৰভা মঞ্চৰ দ্বাৰ উন্মোচন, ভোজনালয়ৰ দ্বাৰ উদঘাটন,অতিথিশালাৰ দ্বাৰ উদঘাটন, চিত্ৰকলা প্ৰদৰ্শনী উন্মোচন। ১০.৩০ বজাত বাৰে বৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই। ২৩ নৱেম্বৰত পুৱা পতাকা উত্তোলন কৰিব উৎযাপন সমিতিৰ সভাপতি ভুপেন বড়োৱে। ইয়াৰ পিছতেই প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ নাম পঞ্জীয়ন। ১০.৩০ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গীৰা ব্ৰহ্মই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মন। দুপৰীয়া ১২.৩০ বজাৰ পৰা অনুষ্ঠিত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সন্মিলন। ২৪ নৱেম্বৰত দিনৰ ১২.৩০ বজাৰ পৰা ৬২ নং বৰমা বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন বড়োৰ সভাপতিত্বতঅনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভা উদ্বোধন কৰিব বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে। মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বিটিচিৰ অধ্যক্ষ কাতিৰাম বড়ো। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ অনিল বড়ো আৰু চামতাৰ কামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ কবিতা চৌধুৰী। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব বিটিচিৰ ই এম ৰাকেশ ব্ৰহ্মই।

# মোৰাঝাৰৰ দক্ষিণ দেৱস্থান এম ই স্কুলৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে ভংয়কৰ ষড়যন্ত্ৰ

**ই-সংবাদ, মোৰাঝাৰ, ৪ নৱেম্বৰঃ** কৰ্তব্যত ফাঁকি দিয়া শিক্ষক কপিল উদ্দিনৰ পিছত এইবাৰ পোহৰলৈ আহিছে আন এগৰাকী বিতৰ্কিত শিক্ষক বাহাৰুল ইছলামৰ অনিয়মৰ কাহিনী। শিক্ষক বাহৰুলৰ কৰ্ম-কাণ্ডই হতচকিত কৰিছে শিক্ষক সমাজক। বাহাৰুল হোজাইৰ মোৰাঝাৰৰ দক্ষিণ দেৱস্থান এম ই স্কুলৰ সহকাৰী শিক্ষক। তেওঁৰ বিৰুদ্ধে বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে ভংয়কৰ ষড়যন্ত্ৰত লিপ্ত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই শিক্ষকজনে ছাত্ৰীৰ হতুৱাই প্ৰধান শিক্ষকৰ বিৰুদ্ধে ভুৱা গোচৰ ৰুজু কৰি মানসিক হাৰাশাস্তি কৰা ঘটনাই সমগ্ৰ হোজাই জিলাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াকে কেন্দ্ৰ কৰি আজি বিদ্যালয়খনৰ পৰিচালনা সমিতি আৰু অভিভাৱক সমাজ ওলাই আহি যাৱতীয় ঘটনাক খণ্ডন কৰে। ঘটনা অনুসৰি কিছুদিন আগত এগৰাকী ছাত্ৰীৰ হতুৱাই অভিভাৱকৰ সৈতে মিলি সহকাৰী শিক্ষক বাহাৰুল ইছলামে প্ৰধান শিক্ষক কুতুব উদ্দিনৰ বিৰুদ্ধে ২৩ অক্টোবৰত মিছা অভিযোগ তুলি মোৰাঝাৰ থানাত এজাহাৰ দিয়ে। এই এজাহাৰৰ পিছতে আৰক্ষীৰ তদন্ত চলি থকাৰ মাজতে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ছাদ্দাম হুছেইনে সংবাদ মাধ্যমৰ আগত কয় যে বাহাৰুল ইছলামৰ বিৰুদ্ধে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰা অবৈধভাৱে পৰীক্ষা মাচুল, কিতাপ বিতৰণৰ নামত মাচুল লোৱা, ছাত্ৰ বৃত্তিৰ ধনকে ধৰি মধ্যাহ্ন ভোজনৰ কেইবা লক্ষাধিক টকা আত্মসাৎ কৰাৰ অভিযোগত যোৱা বৰ্ষৰ ৫ এপ্ৰিলত প্ৰধান শিক্ষকৰ পৰা বৰ্খাস্ত কৰি কতুব উদ্দিনক লংকা শিক্ষা খণ্ডৰ বিষয়াই এক নিৰ্দেশযোগে প্ৰধান শিক্ষকৰ দায়িত্ব অৰ্পণ কৰে। ইয়াৰ পিছৰে পৰা নতুন প্ৰধান শিক্ষকৰ বিৰুদ্ধে তেওঁ নানান ষড়যন্ত্ৰ চলাই আহিছে। তেওঁ প্ৰধান শিক্ষকৰ বিৰুদ্ধে অভিযোগ তুলি মানসিক নিৰ্যাতন চলাই আহিছে। কেৱল ইমানেই নহয় বিতৰ্কিত শিক্ষক বাহাৰুলে কৰ্তব্যত ফাঁকি দি বছৰ বছৰ ধৰি এখন ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত জড়িত হৈ আহিছে। অভিভাৱক সমাজেও একমুখে বাহাৰুলৰ এই কৰ্মক নিন্দা জনাই যিগৰাকী অভিভাৱকৰ হতুৱাই এনে নিন্দাজনক কাম কৰিছিল সেইগৰাকী অভিভাৱককো এনে অসামাজিক কামৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। তেওঁ কয় যে বাহাৰুল ইছলামে একপ্ৰকাৰ বিদ্যালয়খনক পৈতৃক সম্পত্তিলৈ পৰিণতি কৰি ভোগ কৰি আহিছে। আৰক্ষীয়ে সঠিক তদন্ত কৰিলে সকলো পোহৰলৈ আহিব বুলি তেওঁ কয়। ইপিনে প্ৰধান শিক্ষক কুতুব উদ্দিনে এই অভিযোগ নসাৎ কৰি উচিত তদন্তৰ পোষকতা কৰে।

# ৰজাবাহৰত অগ্নিকাণ্ড, লক্ষাধিক মূল্যৰ সম্পত্তি ভস্মীভূত

**ই-সংবাদ, তিতাবৰ, ৪ নৱেম্বৰঃ** তিতাবৰৰ ৰজাবাহৰত আজি সন্ধিয়া সংঘটিত হোৱা এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাই সমগ্ৰ অঞ্চলটোত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰে। আগ্নিকাণ্ডত ৰজাবাহৰৰ দিগন্ত বৰা নামৰ এজন লোকৰ বাসগৃহটো জুইত সম্পূৰ্ণৰূপে জাহ যায় বুলি জানিব পৰা গৈছে। জুই লগাৰ কাৰণ এই পৰ্যন্ত পোহৰলৈ অহা নাই যদিও, অকস্মাতে খুব কম সময়তে ভয়ংকৰ জুয়ে বাসগৃহ আগুৰি ধৰে আৰু সকলো সা-সামগ্ৰীৰ লগতে গোটেই গৃহটো জ্বলি ছাই হয়। পৰিয়াল আৰু স্থানীয় লোকে জুই নুমুৱাবলৈ অপাৰ চেষ্টা কৰিছিল যদিও সক্ষম নহ'ল। পিছত বৰহোলাৰ অগ্নিনিৰ্বাপক বাহিনী উপস্থিত হৈ তৎপৰতাৰে জুই নিৰ্বাপিত কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডত কেইবা লাখ টকাৰ সম্পত্তি ক্ষতি হোৱা বুলি জানিব পৰা গৈছে।

# কৰ্দৈগুৰি অঞ্চলত মাদক দ্ৰব্য ড্ৰাগছৰ বিৰুদ্ধে বিশাল ৰাজহুৱা সভা

**ই-সংবাদ, ডুমডুমা, ৪ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ কৰ্দৈগুৰি অঞ্চলটোত মদ, কানি, ড্ৰাগছৰ অবাধ প্ৰচলনে অঞ্চলটোৰ উঠি অহা নৱ প্ৰজন্মৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। ইয়াৰ সমান্তৰালকৈ অঞ্চলটোত দিনক দিনে বৃদ্ধি পাইছে চুৰি, ডকাইতিৰ দৰে অপৰাধজনিত তথা অসামাজিক কাৰ্যকলাপ। অঞ্চলটোৰ দল-সংগঠন তথা সমাজ সচেতন লোকে বিগত সময়ত ইয়াৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাই নহয় নিচাযুক্ত সামগ্ৰীৰ ৰমৰমীয়া বেহা চলাই অহা অসাধু লোক আৰু নিচাসক্ত যুৱকক আটক কৰি আৰক্ষীক গটাই দি আহিছে যদিও আৰক্ষী-প্ৰশাসনৰ সোপাটিলা ব্যৱস্থাৰ বাবে আইনৰ গণ্ডীৰ পৰা মুক্ত হৈ পুনৰ সমাজ বিৰোধী কাৰ্য-কলাপত লিপ্ত হৈ পৰে। কালি বৃহত্তৰ কৰ্দৈগুৰি যুৱক সংঘ আৰু মহিলা সমিতিৰ আহ্বানত ১ নং কৰ্দৈগুৰি ৰাজহুৱা প্ৰেক্ষাগৃহত অসম মৰাণ সভাৰ প্ৰাক্তন সভাপতি সোমেশ্বৰ মৰাণৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সমগ্ৰ তালাপ-কৰ্দৈগুৰি অঞ্চলটোত মাৰাত্মক ড্ৰাগছকে আদি কৰি সকলো মাদক দ্ৰব্য আৰু নিচাযুক্ত সামগ্ৰী সমুলঞ্চে মুক্ত কৰিবলৈ ৰাইজে শক্তিশালী সিদ্ধান্ত গ্ৰহণ কৰ। বৃহত্তৰ কৰ্দৈগুৰি যুৱক সংঘৰ সম্পাদক পলাশ মৰাণে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিপ্লৱ মৰাণে সমবেত ৰাইজক সম্বোধন কৰি আদৰণি বক্তব্য আগবঢ়ায়। ইয়াৰ পাছতে ডিৰাকৰ মনজ্যোতি মৰাণ, ডিৰাক নাৰী বাহিনীৰ সভানেত্ৰী মিতালী বুঢ়াগোহাঁই, কৰ্দৈগুৰি আঞ্চলিক যুৱক সংঘৰ সভাপতি তথা সমাজকৰ্মী ৰহেন্দ্ৰ মৰাণ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপ-সভাপতি কেশৱ দহোটীয়া, তালাপ-কৰ্দৈগুৰি আঞ্চলিক মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পিংকু মৰাণ, কৰ্দৈগুৰি মধ্য-উচ্চ ইংৰাজী বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰদীপ কুমাৰ মৰাণ, গটং গাঁওৰক্ষী বাহিনীৰ সভাপতি শৈলেন মৰাণ, বাঘজান গাঁও যুৱক সংঘৰ বিশ্বজিত হাজৰিকা, তিনিচুকীয়া জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি উমানন্দ মুদৈ মৰাণ আদিয়ে মাদক দ্ৰব্য, ড্ৰাগছ আদিয়ে ভাষণ প্ৰদান কৰি মাদক দ্ৰব্য, কানি, ড্ৰাগছ আদিৰ বিৰুদ্ধে ৰাইজক মাৰবান্ধি থিয় দিবলৈ আহ্বান জনায়। সভাত উমানন্দ মুদৈ মৰাণে ড্ৰাগছ আৰু অসামাজিক অপৰাধমূলক কাৰ্য-কলাপত একাংশ আৰক্ষীৰ লোক জড়িত থকাৰ অভিযোগ তুলি সন্দেহৰ আঙুলি টোৱাই কয় যে দল-সংগঠন বা ৰাইজে যেতিয়া কোনো অপৰাধী চক্ৰৰ সন্ধান দিয়ে, তেতিয়া আৰক্ষী নিৰ্দিষ্ট ঠাইত উপস্থিত হোৱাৰ আগতে সেই স্থানৰ পৰা অপৰাধী চক্ৰই আগতীয়াকৈ কেনেকৈ গম পাই পলাই যায়, সেয়া চিন্তনীয় বিষয়। সভাৰ সিদ্ধান্ত মৰ্মে অহা ১০ নৱেম্বৰৰ দিনা পুৱা ৯ বজাত বৃহত্তৰ অঞ্চলটোৰ ৰাইজে ১ নং কৰ্দৈগুৰি ৰাজহুৱা খেলপথাৰৰ পৰা মাদক দ্ৰব্য আৰু ড্ৰাগছ বিৰুদ্ধে বিশাল শোভাযাত্ৰা আৰম্ভ কৰি বৰগড়া, বিষ্ণুপুৰ, হাতীশাল, বেতনি, তামুলী, ধুলিজান মিচিমিকটা, দাইচা, দাৰিয়াভেটি, জুটুলীবাৰী ভটিয়ামখাল, কেছেৰুগুৰি, কেৰাণী, দৰ্জিজান, জকাইচুক, গটং, বাঘজান, দহোতীয়া আদি প্ৰায় কুৰিখন গাঁও গাড়ী, মটৰ-বাইচাইকেল আদিৰে পৰিভ্ৰমণ কৰিব।

## ভাষা গৌৰৱ সপ্তাহ পালন
# ৰঙিয়াত আন্তঃবিদ্যালয় প্ৰতিযোগিতা

**ই-সংবাদ, ৰঙিয়া, ৪ নৱেম্বৰঃ** সাহিত্যিকে ভাষা এটা জীয়াই ৰাখিব নোৱাৰে, জনসাধাৰণেহে ভাষা এটা জীয়াই ৰাখিব লাগিব। প্ৰতি ১৪ দিনৰ অন্তৰে অন্তৰে এটাকৈ ভাষা বিলুপ্ত হৈ আহিছে।- আজি ৰঙিয়াৰ মধ্য পাণ্ডুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত ভাষা গৌৰৱ দিৱস আৰু আন্তঃ বিদ্যালয় কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা আনুষ্ঠানিকভাৱে উদ্বোধন কৰি এনেদৰে কয় কামৰূপ জিলা সাহিত্য সভাৰ সভাপতি ড০ নৃপেন তালুকদাৰে। ভাষা গৌৰৱ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত সমবেত ৰাইজক উদ্দেশ্যি ড০ তালুকদাৰে লগতে কয় যে সম্প্ৰতি গোটেই বিশ্বত ৭১০০টা ভাষা প্ৰচলিত হৈ আছে। ইয়াৰে ভিতৰত দক্ষিণ পশ্চিম প্ৰশান্ত মহাসাগৰীয় দ্বীপপুঞ্জৰ পাপুৱা নিউগিনীয়া দ্বীপত সৰ্বাধিক ৮৩৯টা ভাষাৰ প্ৰচলন হৈ আছে। উল্লেখ্য যে পশ্চিম ৰঙিয়াৰ মধ্য পাণ্ডুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত তথা কোঠৰা উচ্চ মাধ্যমিক বিদ্যালয়, শ্বহীদ সুনন্দ শালৈ হাইস্কুল, ৰঙিয়া বড়ো মাধ্যম হাইস্কুল, দক্ষিণ পাণ্ডুৰী হাইস্কুলৰ সহযোগত ৰূপায়ণ কৰা হয় উক্ত কাৰ্যসূচী। ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আৰু বৌদ্ধিক উন্নতিৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্ঠিত কৰা সভাখনৰ সঞ্চালনা কৰে পংকজ পল্লৱ শৰ্মাই। ভৱেন শৰ্মাই সভাপতিত্ব কৰা সভাৰ আৰম্ভণিতে হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰ ব্যৱস্থাপক পাৰ্থ প্ৰতিম ডেকাই শুভেচ্ছামূলক আদৰণি ভাষণ দিয়ে। নয়নজ্যোতি দাসে পৰিচালনা কৰা কুইজ প্ৰতিযোগিতাৰ উচ্চ শাখাত শ্ৰেষ্ঠৰূপে বিবেচিত হয় মধ্যপাণ্ডুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়। আনহাতে, ২য় আৰু ৩য় স্থান লাভ কৰে শ্বহীদ সুনন্দ শালৈ হাইস্কুল আৰু দক্ষিণ পাণ্ডুৰী হাইস্কুলে। একেদৰে এম ই শাখাত প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে দক্ষিণ পাণ্ডুৰী হাইস্কুল, মধ্য পাণ্ডুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু শ্বহীদ সুনন্দ শালৈ হাইস্কুলে। বক্তৃতা প্ৰতিযোগিতাত উচ্চ শাখাত শ্ৰেষ্ঠ হয় মানস শৰ্মা। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় পংকজ পল্লৱ শৰ্মাই।






পাকিস্তানৰ বিৰুদ্ধে এখন মেচত এনেদৰে দেখা গ'ল অষ্ট্ৰেলিয়াৰ গ্লেন মেক্সৱেলক, মেলবৰ্ণত সোমবাৰে

## বিচিচিআইৰ ভিতৰচ'ৰাত নতুন প্ৰশিক্ষকৰ প্ৰতি মোহভংগ
# হোৱাইটৱাশ্বৰ পিছতে বিপদত পৰিছে গৌতম গম্ভীৰ

**নতুন দিল্লী, ৪ নৱেম্বৰঃ** গৌতম গম্ভীৰৰ প্ৰশিক্ষণ নীতিক লৈ তিনিমাহতে মোহভংগ ঘটিছে ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ। ব'ৰ্ডে নতুন প্ৰশিক্ষক গৌতম গম্ভীৰক কঠোৰ বাৰ্তা প্ৰদান কৰিছে। নিউজিলেণ্ডৰ বিৰুদ্ধে ০-৩ ব্যৱধানত টেষ্ট শৃংখলাত পৰাস্ত হোৱাৰ পিছতে নতুন প্ৰশিক্ষক গৌতম গম্ভীৰ যথেষ্ট চাপৰ সন্মুখীন হৈছে। অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া পাঁচখন টেষ্ট ছিৰিজত ৰোহিত-বিৰাটৰ সন্মুখতো আহি পৰিছে ডাঙৰ প্ৰত্যাহ্বান। একে সময়তে গৌতম গম্ভীৰৰ সমুখতো আহি পৰিছে কঠিন পৰীক্ষা। কিয়নো, গৌতম গম্ভীৰৰ নিযুক্তিৰ তিনিমাহৰ ভিতৰতে ঘৰুৱা মাটিত হোৱাইটৱাশ্ব হোৱা ঘটনাক ভিতৰি সহজভাৱে ল'ব পৰা নাই বিচিচিআইৰ একাংশ বিষয়ববীয়াই। গম্ভীৰক খেলুৱৈৰ নিৰ্বাচনত দিয়া স্বাধীনতাৰ বিষয়টোক লৈয়ো চৰ্চা হৈছে। বৰ্ডৰ এগৰাকী বিষয়াই এই লৈ কয়, "দল নিৰ্বাচনত প্ৰশিক্ষক থকাটো ব'ৰ্ডৰ নিয়মাৱলীত নাই।" নিৰ্বাচকসকলে দলটো নিৰ্বাচন কৰে। কিন্তু অষ্ট্ৰেলিয়া ভ্ৰমণৰ বাবে দল নিৰ্বাচনৰ ক্ষেত্ৰত এই নিয়মৰ ব্যতিক্ৰম আছিল। কাৰণ ভাৰতীয় ক্ৰিকেটৰ ভৱিষ্যতৰ বাবে এই ভ্ৰমণ অতি গুৰুত্বপূৰ্ণ।' কিন্তু হোৱাইটৱাছৰ পিছত গম্ভীৰৰ পৰা সেই ক্ষমতা কৰ্তন হোৱাৰ সম্ভাৱনা আছে। সেয়ে তেওঁ কয়, 'কোনোৱেই অত্যাৱশ্যকীয় নহয়। এই কথা সকলোৱে মনত ৰখা উচিত।' উল্লেখ্য যে, গম্ভীৰ ইচ্ছামতে কিৱিৰ বিৰুদ্ধে মুম্বাইত অনুষ্ঠিত তৃতীয়খন টেষ্টৰ দলত অন্তৰ্ভুক্ত হৈছিল হৰ্ষিত। কিন্তু যদিহে তেওঁক দলত ৰখা নহ'লহেঁতেন তেন্তে তেওঁ অষ্ট্ৰেলিয়া ভ্ৰমণ কৰা ভাৰতীয় 'এ' দলত যোগদান কৰি তাতেই উইকেটৰ লগত খাপ খাব পাৰিলেহেঁতেন। দ্বিতীয়তে, যদিও নীতিশ কুমাৰ ৰেড্ডীক ছিমিং উইকেটত ছিৰিয়াছ অল ৰাউণ্ডাৰ হিচাপে বিচৰা হৈছে, তথাপিও অষ্ট্ৰেলিয়াৰ 'এ' দলৰ বিৰুদ্ধে তেওঁৰ দুৰ্বলতা ধৰা পৰিছে। তেওঁ কেতিয়াও বল লৈ হাৰ্দিকৰ বিকল্প নহয়। অষ্ট্ৰেলিয়াত যদি এই দুই খেলুৱৈ বিফল হয় তেন্তে সমস্ত দোষ গম্ভীৰৰ ওপৰত পৰিব বুলি চৰ্চা চলা দেখা গৈছে। এনেকৈ এতিয়া নিউজিলেণ্ডৰ হাতত পৰাজয়ৰ পিছত বিপদত পৰিছে নতুন প্ৰশিক্ষক গৌতম গম্ভীৰ।

# দেশৰ বাহিৰত হ'ব আইপিএলৰ নিলাম পৰ্ব

**ৰিয়াধ, ৪ নৱেম্বৰঃ** আইপিএলৰ ৰিটেনশ্যন পৰ্ব শেষ। এতিয়া ক্ৰিকেট প্ৰেমীসকলে বাট চাই ৰৈছে নিলাম প্ৰক্ৰিয়ালৈ। ভাৰতীয় ক্ৰিকেট ব'ৰ্ডেও প্ৰকাশ কৰিছে আই পি এলৰ নিলামৰ সম্ভাব্য তাৰিখ। অৱশ্যে এইবাৰ ভাৰতত সম্পূৰ্ণ নিলাম হোৱাৰ সম্ভাৱনা নাই। নিলামৰ সময়ক কেন্দ্ৰ কৰি কিছু সমস্যাৰ সৃষ্টি হৈছে। প্ৰতিটো দলে নিজৰ পৰিকল্পনা অনুসৰি দুইৰ পৰা ছয়জন ক্ৰিকেটাৰক ধৰি ৰাখিছিল। নিয়ম অনুসৰি এটা দলত সৰ্বাধিক ২৫ জন ক্ৰিকেটাৰ থাকিব পাৰে। আই পি এলৰ ১০টা দলে আগন্তুক তিনিটা ছিজনৰ বাবে মুঠ ৪৬ গৰাকী ক্ৰিকেটাৰক ৰিটেনশ্যনত ৰাখিছে। মুঠ ২০৪ গৰাকী ক্ৰিকেটাৰে এই নিলামত দল লাভ কৰিব পাৰিব। ইয়াৰ ভিতৰত ৭০জন বিদেশী ক্ৰিকেটাৰ থাকিব পাৰে। ক্ৰিকেটপ্ৰেমীসকলে এতিয়া আগ্ৰহী হৈ পৰিছে কোনে কোন দলত স্থান পাব তাক লৈ। বিচিচিআইৰ সূত্ৰ অনুসৰি অহা ২৪ আৰু ২৫ নৱেম্বৰত দুদিনৰ বাবে অনুষ্ঠিত হ'ব আইপিএলৰ নিলাম। ছৌদি আৰৱৰ ৰাজধানী ৰিয়াধত অনুষ্ঠিত হ'ব এই নিলাম। সেয়া হ'লেও নিলামৰ তাৰিখ আৰু স্থান এতিয়াও আনুষ্ঠানিকভাৱে ঘোষণা কৰা হোৱা নাই। ব'ৰ্ডৰ এজন বিষয়াই কয়, "চূড়ান্ত পৰ্যায়ৰ প্ৰস্তুতি চলি আছে। সকলো কাম হৈ গ'লে আনুষ্ঠানিকভাৱে সকলো ঘোষণা কৰা হ'ব।"

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি